সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্তা

৩০ বছৰ, ৩৬ সংখ্যা, ২২ ভাদ , ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ / ১৯৯৪

RNI No. 53883/94. GHY--781025. Vol. 30: Issue No.36 Date Of Publication -8 September 2024 Rs.10.00/-

## জনসংখ্যাতকৈ অধিক আধাৰ কাৰ্ড ধুবুৰী, বৰপেটা, মৰিগাঁও, নগাঁওতঃ মুখ্যমন্ত্ৰী

ৰঙিলী বাৰ্তাসেৱা- অবৈধ অনুপ্ৰৱেশকাৰীৰ আগ্ৰাসনে খিলঞ্জীয়াৰ প্ৰতি নমাই অনা ভাবুকিৰ সময়তে কেইবাখনো জিলাত সন্দেহযুক্ত লোকে সংগ্ৰহ কৰিছে আধাৰ। শেহতীয়াকৈ আধাৰৰ ক্ষেত্ৰত পোহৰলৈ আহিছে এটা উদ্বেগজনক খবৰ। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সদৰী কৰে এই উদ্বেগজনক খবৰ। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি জনসংখ্যাতকৈ ৰাজ্যৰ কেইবাখনো জিলাত অধিক ইছ্যু হৈছে আধাৰ কাৰ্ড। উল্লেখ্য যে সন্দেহযুক্ত লোকে আধাৰ সংগ্ৰহ কৰা বুলি বিভিন্ন সময়ত উত্থাপন হৈ অহা অভিযোগৰ পাছতে মুখ্যমন্ত্ৰীগৰাকীয়ে কৰা এই ঘোষণা স্বাভাৱিকতে পুনৰ এক ভাবুকিৰ সৃষ্টি কৰিছে। দিছপুৰত এক সংবাদ মেল সম্বোধন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা মতে, বৰপেটা, ধুবুৰী, মৰিগাঁও আৰু নগাঁও জিলাত জনসংখ্যাতকৈ অধিক লোকে আধাৰ সংগ্ৰহ কৰিছে। বৰপেটা জিলাত ১০৩.৭৪ শতাংশই, ধুবুৰী জিলাত ১০৩.৪৮




শতাংশই, মৰিগাঁও জিলাত ১০১.৭৪ শতাংশই আৰু নগাঁও জিলাত ১০০.৬৮ শতাংশই আধাৰ কাৰ্ড সংগ্ৰহ কৰিছে।

স্বাভাৱিকতে এই পৰিসংখ্যাই স্পষ্ট কৰি তুলিছে যে এই জিলাকেইখনত সন্দেহযুক্ত লোকে বিভিন্ন অবৈধ প্ৰক্ৰিয়াৰে সংগ্ৰহ কৰিছে আধাৰ কাৰ্ড। এই বিষয়টো লক্ষ্য কৰিয়েই ৰাজ্য চৰকাৰে আধাৰৰ ক্ষেত্ৰত অধিক কঠোৰ হোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সংবাদ মেলত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে যিসকল লোকে এনআৰচিত আবেদন কৰা নাছিল, তেনে লোকক এতিয়াৰে পৰা আধাৰ দিয়া নহ'ব। অৱশ্যে

(দহ পৃষ্ঠাত চাওক)

## ন্যায়িক জিম্মালৈ প্ৰেৰণ মহাপ্ৰৱঞ্চক বিশাল ফুকনক



ৰঙিলী বাৰ্তাসেৱা- ৩ দিনৰ আৰক্ষীৰ জিম্মাৰ পাছত অনলাইন ট্ৰেডিঙৰ খলনায়ক বিশাল ফুকনক ডিব্ৰুগড়ৰ আৰক্ষীয়ে জিলা ন্যায়াধীশৰ আদালতত হাজিৰ কৰে। আৰক্ষীয়ে বিশালক পুনৰ নিজৰ জিম্মাত নিবিচাৰৰ বাবে বিশাল ফুকনক আদালতৰ পৰা পোনে পোনে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। জানিব পৰা অনুসৰি বিগত ৬ দিনৰ জেৰাত চুমি বৰাৰ বিষয়ে আৰক্ষীৰ আগত এযাৰ কথাও বিশাল ফুকনে কোৱা নাই। এয়া যথেষ্ট তাৎপৰ্যপূণ বুলিও বিবেচিত হৈছে। কেৱল চুমিৰ নামত হোৱা ধনৰ খৰচসমূহ

(দহ পৃষ্ঠাত চাওক)

## প্ৰয়োজন হ'লে চিবিআইক প্ৰদান কৰিব ট্ৰেডিং কেলেংকাৰিৰ তদন্তৰ দায়িত্বঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এটা কথা স্পষ্ট কৰি দিয়ে যে ট্ৰেডিং প্ৰৱঞ্চকসকল আৰক্ষীৰ হাতৰ পৰা কোনো কাৰণতে সাৰি যাব নোৱাৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে এই সমগ্ৰ কেলেংকাৰিৰ তদন্ত কৰাৰ বাবে এক এছআইটি গঠন কৰা হৈছে। প্ৰয়োজনত এই গোচৰৰ তদন্ত চিবিআইৰ হাততো অৰ্পণ কৰা হ'ব। এই বিত্তীয় কেলেংকাৰীৰ ডাঙৰ গোচৰসমূহ চিআইডিয়ে আৰু সৰু গোচৰসমূহ জিলা আৰক্ষীয়ে তদন্ত কৰিব। সমগ্ৰ গোচৰটো চিআইডিৰ লগতে ইডি আৰু আয়কৰ বিভাগে তদন্ত কৰিব। এটা সময়ত যদি প্ৰয়োজন হয় যে গোচৰটো চিবিআইক দিব লাগে, তেন্তে ৰাজ্য চৰকাৰে চিবিআইৰ হাততো অৰ্পণ কৰিব গোচৰ। ৰাজ্য চৰকাৰে যদি ধাৰণা কৰে

(দহ পৃষ্ঠাত চাওক)

সম্পাদকীয় শিতান...

## তিনিটা মগজুৰ অধিকাৰী আমিবোৰ

দেৱাশীষ গোস্বামী

কি যে কথা কয় অ? তিনিটা মগজুৰ অধিকাৰী? আমিবোৰ? সম্পূৰ্ণ সুস্থ অৱস্থাত আছেতো লিখোতা জন?

ঠিকেইতো, আপোনা-লোকৰ দৰে আমি সম্পূৰ্ণ সুস্থ সবল মানুহ খিনিয়ে শিৰোনামা দেখিলে ঠিক এনেদৰে ভাবিবলৈয়ে বাধ্য, নহয়নে বাৰু?

আমি যদি আমাৰ চাৰিওফালে সঘনাই ঘটি থকা ঘটনাৰাজীলৈ মন কৰো, শিৰোনামাৰ অৰ্থ জল জল পট পট কৈ আমাৰ সন্মুখত ওলাই পৰিব। মগজু বা 'BRAIN' হ'ল এজন মানুহৰ নিয়ন্ত্ৰক। আমি জাগ্ৰত অৱস্থাত কৰা সকলো ক্ৰিয়া-প্ৰতিক্ৰিয়া একমাত্ৰ মগজুৱে নিয়ন্ত্ৰণ কৰে। মানৱ শৰীৰৰ বহুত বেছি স্পৰ্শকাতৰ অংগ এই মগজু। মগজুৰ প্ৰত্যক্ষ সম্পৰ্ক আমাৰ 'মন'ৰ লগত। 'মন-মগজুৰ' সঠিক কাৰ্য্য সম্পাদনেই মানুহ হৈ জন্মাৰ প্ৰকৃতাৰ্থ। 'মন- মগজুৰ' বিথিক কাৰ্যকলাপেই নানা অথন্তৰৰ মূল। আমাৰ প্ৰত্যেকৰে মনবোৰ যদি স্বচ্ছ আৰু নিকা হয়, মগজুৱে সঠিক কাৰ্য্য সম্পাদন কৰোঁতে সহায় হয়।

আনহাতে আমাৰ সকলোৰে ওচৰত আৰু এটা 'মগজু' থাকে সুপ্ত অৱস্থাত। এই সুপ্ত অৱস্থাত থকা মগজুটো যেতিয়াই সাৰ পাই, তেতিয়াই এজন মানুহৰ প্ৰকৃত স্বৰূপটো গম পোৱা যায়। আমাৰ সুপ্ত অৱস্থাত থকা মগজুটো ইমানেই বেছি শক্তিশালী যে ই যি কোনো অসম্ভৱকো সম্ভৱ কৰি তোলে। ধনাত্মক হ'লে মানবজাতিৰ মংগল, ঋনাত্মক হ'লেই ভয়ংকৰ। আমি সচাৰচৰ কৰি থকা সকলো কামৰ ওপৰিও আৰু কিছু কৰ্ম থাকে যাক সঠিক আৰু সফল ভাৱে ৰূপায়ন কৰাত আমাৰ মাজত থকা সুপ্ত মগজুতোৱে এক শক্তিশালী ভূমিকা পালন কৰে। উদাহৰণ স্বৰূপে যিকোনো বৃত্তিত জড়িত এজন ব্যক্তিয়ে সুপ্ত মগজু জাগ্ৰত কৰি মানৱ জাতিৰ হিতাৰ্থে বহু ধৰণৰ সমল আগবঢ়ায়। নানা ধৰণৰ ব্যস্ততাৰ মাজতো মানৱ জাতিৰ

(তিনিপৃষ্ঠাত চাওক)

# দৰঙত ৬৩ সংখ্যক শিক্ষক দিৱস উদ্‌যাপন



ৰঙিলী বাৰ্তাসেৱা- দৰং জিলা প্ৰশাসনৰ উদ্যোগত জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত ৬৩ সংখ্যক শিক্ষক দিৱস উদ্‌যাপন কৰা হয়। দৰঙৰ জিলা আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেয়ে উদ্বোধন কৰা এই শিক্ষক দিৱস অনুষ্ঠানত মঙলদৈ সমষ্টিৰ বিধায়ক বসন্ত দাস আৰু অসম ৰাজ্যিক মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাসে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে জিলা আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত আৰু বিধায়ক আৰু মীন উন্নয়ন নিগমৰ অধ্যক্ষ তথা বিশিষ্ট ব্যক্তিসকলে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবিত পুস্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা নিবেদন কৰে। অনুষ্ঠানত মঙলদৈৰ বিধায়ক বসন্ত দাসে শিক্ষকসকলক শিক্ষক দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰি কয় যে দৰং জিলাখন যিহেতু আকাংক্ষিত জিলা সেয়ে শিক্ষাৰ দিশটো আগুৱাই নিবৰ বাবে শিক্ষকসকলক আহ্বান জনায়। গুনোৎসৱ ব্যৱস্থা চৰকাৰৰ ভাল পদক্ষেপ বুলি অভিহিত কৰি তেওঁ কয় যে শিক্ষকসকলৰ প্ৰয়োজনীয় ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছে। তেওঁ সামাজিক ব্যাধিসমূহ কেনেকৈ আতৰ কৰি সমাজখন সংস্কাৰ কৰিব পাৰি আৰু ছাত্ৰ ছাত্ৰীসকলক মানৱ সম্পদৰূপে গঢ়িব পাৰি সেই ক্ষেত্ৰত মনোযোগ দিবলৈ শিক্ষকসমাজক আহ্বান জনায়। সভাত ভাষণ প্ৰদান কৰি মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাসে সমাজ ব্যৱস্থাত শিক্ষকসকলৰ অৱদান অতুলনীয় বুলি কয়। গুৰু-শিষ্যৰ সম্পৰ্ক কেনেকুৱা হ'ব লাগে তেওঁ একলব্য আৰু দ্ৰোণাচাৰ্যৰ উদাহৰণ দাঙি ধৰে। সভাত নিৰ্দিষ্ট

(দহ পৃষ্ঠাত চাওক)

# পেৰালিম্পিকত হৰবিন্দৰ সিঙৰ স্বৰ্ণপদক অৰ্জন



ৰঙিলী বাৰ্তাসেৱা- পেৰিছ পেৰালিম্পিকৰ পুৰুষৰ আৰ্চাৰীৰ ৰিকাৰ্ভ শিতানৰ ব্যক্তিগত শাখাত সোণৰ পদক জয় কৰি হৰবিন্দৰ সিঙে ইতিহাস ৰচনা কৰিলে। হৰবিন্দৰে সোণৰ পদক লাভ কৰি পেৰালিম্পিক অথবা অলিম্পিকৰ ইতিহাসত এই কৃতিত্ব অৰ্জন কৰা দেশৰ প্ৰথমগৰাকী খেলুৱৈৰূপে পৰিগণিত হয়। একেদৰে ধৰ্মবীৰে পুৰুষৰ ক্লাব থ্ৰ' এফ ৫১ শিতানৰ ফাইনেলত ৩৪.৯২ মিটাৰলৈ দলিয়াই এছিয়ান অভিলেখ ভংগ কৰাৰ লগতে স্বৰ্ণ পদক হস্তগত কৰে। এই একেটা শিতানত প্ৰণৱ সুৰমাই ৩৪.৫৯ মিটাৰলৈ দলিয়াই ৰূপৰ পদক অৰ্জন কৰে। ইয়াৰ পূৰ্বে বিশ্ব চেম্পিয়ন শচীন সৰ্জেৰাও খিলাৰীয়ে পুৰুষৰ স্টপুটৰ এফ ৪৬ শিতানত ৰূপৰ পদক লাভ কৰে।

# কংগ্ৰেছত যোগদান মল্লযুঁজাৰু বিনেশ ফোগাট আৰু বজৰং পুনিয়াৰ



ৰঙিলী বাৰ্তাসেৱা- কংগ্ৰেছত যোগ দিলে দেশৰ দুই মল্লযুঁজাৰু বিনেশ ফ'গাট আৰু বজৰং পুনিয়াই। শুকুৰবাৰে আনুষ্ঠানিকভাৱে দুয়োগৰাকী মল্লযোদ্ধাই কংগ্ৰেছত যোগদান কৰে। নতুন দিল্লীত অনুষ্ঠিত যোগদান সভাত বিনেশ আৰু বজৰং পুনিয়াই কংগ্ৰেছৰ প্ৰাথমিক সদস্য পদ গ্ৰহণ কৰে। ইয়াৰ পাছতে দুয়োগৰাকীয়ে দলৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেক তেওঁৰ বাসগৃহত সাক্ষাৎ কৰে। কংগ্ৰেছত যোগদান কৰি তেওঁলোকে কয়- যেতিয়া আমি ৰাজপথত আন্দোলন কৰিছিলো তেতিয়া আমাক প্ৰেৰণা যোগাইছিল কেৱল কংগ্ৰেছে। দেশৰ জনসাধাৰণে। আমাৰ বিপদৰ সময়ত সমৰ্থক ৰাজনৈতিক দল হিচাপে কংগ্ৰেছকে ওচৰত পাইছিলো। আমাৰ বেদনা আৰু চকুলো বুজি পাইছিল কংগ্ৰেছ আৰু দেশৰ জনসাধাৰণে। মানুহৰ বেয়া সময়তহে মানুহক চিনিব পৰা যায়। কিয়নো এনে সময়ত কোনে কাৰ কাষত থিয় হৈ আছে তাক বিচাৰি উলিয়াব পৰা যায় বুলি মন্তব্য কৰে। ইতিমধ্যে দুয়োগৰাকী খেলুৱৈৰ কংগ্ৰেছত যোগদানৰ কথা সামাজিক মাধ্যমত ৰাজহুৱা কৰিছে সভাপতি খাৰ্গে। এই সন্দৰ্ভত তেওঁ প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় -'চক দে ইণ্ডিয়া, চক দে হাৰিয়ানা! বিশ্বত ভাৰতক গৌৰৱান্বিত কৰা আমাৰ প্ৰতিভাশালী চেম্পিয়ন বিনেশ ফ'গাট আৰু বজৰং পুনিয়াক লগ পাইছো। আমি আপোনালোক দুয়োকে লৈ গৌৰৱান্বিত। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে দুয়োগৰাকী মল্লযোদ্ধাই কংগ্ৰেছত যোগদান কৰাৰ আগেয়ে বুধবাৰে কংগ্ৰেছ নেতা তথা লোকসভাৰ বিৰোধী দলৰ নেতা ৰাহুল গান্ধীক সাক্ষাৎ কৰিছিল। তাৰ পাছতে কংগ্ৰেছত যোগদান কৰাৰ সিদ্ধান্ত লৈছিল তেওঁলোকে। কংগ্ৰেছত যোগদান কৰাৰ কেইঘণ্টামান পূৰ্বে বিনেশ ফোগাটে নিজৰ এক্স একাউণ্টৰ জৰিয়তে ৰে'ল বিভাগৰ চাকৰিৰ পৰা পদত্যাগ কৰে। এই পদত্যাগৰ এটা প্ৰতিলিপিও বিনেশ ফোগাটে সামাজিক মাধ্যমত শ্বেয়াৰ কৰিছিল। য'ত উল্লেখ কৰা হৈছিল যে, ভাৰতীয় ৰে'ল বিভাগত সেৱা আগবঢ়োৱাতো তেওঁৰ জীৱনৰ এক স্মৰণীয় আৰু গৌৰৱৰ সময় আছিল।

# আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰিলে ধিং কাণ্ডৰ দুই পলাতক অভিযুক্তই

ৰঙিলী বাৰ্তাসেৱা- অৱশেষত আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰিলে ধিঙৰ দলবদ্ধ বলাৎকাৰ কাণ্ডৰে জড়িত দুই অভিযুক্তই। ধিঙৰ নাবালিকা ছাত্ৰীক দলবদ্ধ ধৰ্ষণ কাণ্ডৰ দুই পলাতক পাষণ্ডক নগাঁও আৰক্ষীয়ে বিচাৰি নাপালেও দুই পলাতক অভিযুক্ত ক্ৰমে ফৰিদুল ইছলামক নাগালেণ্ডৰ ডিমাপুৰৰ পৰা আৰু গোলাপ উদ্দিনক মৰিগাঁও জিলাৰ পৰা আনি নগাঁও জিলা আৰক্ষী অধীক্ষকৰ ওচৰত আত্মসমৰ্পণ কৰালে অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ কাৰ্যকৰী সভাপতি আবুবক্কৰ ছিদ্দিক আৰু সংগঠনটোৰ নগাঁও জিলা সমিতিৰ সভাপতি মোছাব্বিৰ আলী আহমেদে। ধিঙৰ নাবালিকা ছাত্ৰীক দলবদ্ধ ধৰ্ষণ কাণ্ডৰ দুই অভিযুক্তই নাগালেণ্ডৰ ডিমাপুৰ আৰু মৰিগাঁৱত আত্মগোপন কৰি আছিল। নগাঁও আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত আত্মসমৰ্পণ দুই অভিযুক্তৰ। ৰাজ্যৰ স্মাৰ্ট আৰক্ষীয়ে যোৱা ১৬ দিনে ধৰিব নোৱাৰা ধিং ধৰ্ষণ কাণ্ডৰ দুই পলাতক অভিযুক্তই সোঁশৰীৰে আহি আৰক্ষীৰ ওচৰত ধৰা দিয়া ঘটনাক লৈ ৰাইজে আৰক্ষীক সমালোচনা কৰাও পৰিলক্ষিত হয়। সম্প্ৰতি দুয়োকে আৰক্ষী অধীক্ষকৰ কাৰ্যালয়তে জেৰা অব্যাহত ৰাখিছে। অৱশ্যে এই ঘটনা সন্দৰ্ভত নগাঁও জিলাৰ আৰক্ষী অধীক্ষক স্বপ্নীল ডেকাই এই পৰ্যন্ত কোনোধৰণৰ আনুষ্ঠানিক মন্তব্য প্ৰকাশ কৰা নাই। উল্লেখযোগ্য যে ধিঙৰ নাবালিকা ছাত্ৰীক দলবদ্ধধৰ্ষণ কাণ্ডৰ এই দুজন অভিযুক্তই আৰক্ষীৰ চকুত ধূলি দি পলাই ফুৰিছিল। ঘটনাটোৰ আন এজন মূল অভিযুক্ত তফাজ্জল ইছলামক আৰক্ষীয়ে ঘটনাৰ এদিন পাছতেই গ্ৰেপ্তাৰ কৰিছিল যদিও পাছত তেওঁক লৈ ঘটনাস্থলীলৈ যোৱাৰ সময়তে ২৩ আগষ্টৰ মৃত্যু হয়। তফাজ্জুলৰ অস্বাভাৱিক মৃত্যুৰ পাছত আতংকিত হৈ পৰে পলাতক অভিযুক্ত দুজনৰ





পৰিয়ালবৰ্গ। তেওঁলোকে পাছত অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ নেতৃত্বৰ সৈতে আলোচনা কৰি ফৰিদুল আৰু গোলাপ উদ্দিনক আৰক্ষীক গতাই দিয়াৰ সিদ্ধান্ত লয়। নগাঁও জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয় চৌহদত সাংবাদিকৰ আগত সদৰী কৰে গোলাপ উদ্দিন আৰু ফৰিদুলৰ ভাতৃদ্বয়ে। ইপিনে, দুই অভিযুক্তৰ আত্মসমৰ্পণত আগভাগ লোৱা অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ কাৰ্যকৰী সভাপতি আবুবক্কৰ

(দহ পৃষ্ঠাত চাওক)

# অনলাইন মানি ট্ৰেডিংৰ নামত অবৈধ ধন সংগ্ৰহকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'ব চৰকাৰে



ৰঙিলী বাৰ্তাসেৱা- অনলাইন মানি ট্ৰেডিঙৰ নামত অবৈধভাৱে ধন সংগ্ৰহ কৰা প্ৰৱঞ্চকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'ব চৰকাৰে। ৰাজ্যত মানি ট্ৰেডিঙৰ নামত এটা প্ৰৱঞ্চক চক্ৰই লুণ্ঠন কৰা সম্পৰ্কত ডিব্ৰুগড়ত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ৰিজাৰ্ভ বেংকৰ অনুমতি নোলোৱাকৈ মানি ট্ৰেডিঙৰ নামত ধন সংগ্ৰহ কৰা সকলো ব্যক্তিৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ কথা প্ৰকাশ কৰে মুখ্যমন্ত্ৰীয়ে। তেওঁ আৰু কয় যে, ৰিজাৰ্ভ বেংকৰ অনুমতি নোলোৱাকৈ আমাৰ দেশত কোনোৱে বিত্তীয় লেনদেন কৰিব নোৱাৰে। বিনিয়োগকাৰীসকল জানি-বুজি যদি ধন বিনিয়োগ কৰিছে তেনেহ'লে ভুল কৰিছে। ভৱিষ্যতে যাতে এনে কাম কৰিব নোৱাৰে তাৰ বাবে সকলোৱে সচেতন হ'ব লাগিব। আৰক্ষীয়ে কাৰ ওচৰত কোনে, কিমান টকা বিনিয়োগ কৰিছে সেই বিষয়ে উদ্ধাৰ কৰিবলৈ চেষ্টা কৰিব। এই গোচৰটোৰ তদন্তৰ বাবে চি আই ডিক দায়িত্ব দিয়া হৈছে। অনাগত দিনত বিশেষ মানুহৰ দৰকাৰ হ'লে এছ আই টি গঠন কৰা হ'ব। গতিকে এইক্ষেত্ৰত ডিজিপিয়ে সিদ্ধান্ত ল'ব। মানি ট্ৰেডিঙৰ নামত ধন সংগ্ৰহ কৰা প্ৰৱঞ্চকসকলক গ্ৰেপ্তাৰ কৰাৰ ক্ষেত্ৰত আমি ৰাইজৰ সহযোগিতা বিচাৰিছোঁ। ৰাইজে তাৎক্ষণিকভাৱে অভিযোগ দিয়ক। আমি গোটেই ব্যৱস্থাটোকে নোহোৱা কৰিম। ৰিজাৰ্ভ বেংক আৰু ৰিজাৰ্ভ বেংকৰ দ্বাৰা অনুমোদিত সংস্থাতহে ধন জমা ৰাখক। নহ'লে বাৰে বাৰে আমি ঠগ আৰু প্ৰৱঞ্চনাৰ বলি হৈ থাকিব লাগিব বুলিও সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়।

# নাকৰ মূল্যায়নত এ গ্ৰেড লাভ কটন বিশ্ববিদ্যালয়ৰ




ৰঙিলী বাৰ্তাসেৱা- পবিত্ৰ শিক্ষক দিৱসৰ দিনটোতে ৰাজ্যৰ অগ্ৰণী শিক্ষানুষ্ঠান কটন বিশ্ববিদ্যালয়লৈ আহিল ভাল খবৰ। ৰাষ্ট্ৰীয় মূল্যাংকন আৰু প্ৰত্যাপন পৰিষদৰ মূল্যায়নত কটন বিশ্ববিদ্যালয়ে "এ" গ্ৰেড লাভ কৰিবলৈ সক্ষম হৈছে। বিশ্ববিদ্যালয় হিচাবে ৰাষ্ট্ৰীয় মূল্যাংকন আৰু প্ৰত্যাপন পৰিষদৰ দ্বাৰা প্ৰথম চক্ৰৰ মূল্যায়নতে এ গ্ৰেড পোৱা কটন বিশ্ববিদ্যালয় হৈছে উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰত প্ৰথমখন শিক্ষানুষ্ঠান। এনে সাফল্যৰ বাবে বিশ্ববিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ সভাপতি হিমাংশু কুমাৰ দাসে সমূহ বিশ্ববিদ্যালয় পৰিয়াললৈ অভিনন্দন জ্ঞাপন কৰিছে।

# অৰুণাচলত পুতি থোৱা অৱস্থাত উদ্ধাৰ অসমৰ ট্ৰাক চালকৰ মৃতদেহ

ৰঙিলী বাৰ্তাসেৱা- অসমৰ ট্ৰাক চালকক অৰুণাচলত হত্যা। ট্ৰাক চালকজনৰ হত্যাৰ ঘটনাই চেপা উত্তেজনাই বিৰাজ কৰিছে অসম অৰুণাচল সীমান্তৰ মাদুৰিপথাৰ অঞ্চলত। যোৱা ২২ আগষ্টত মাদুৰিপথাৰৰ আলিকাশ গাওঁৰ ট্ৰাক চালক সঞ্জয় নাথে AS18C/4741 ই'টাভৰ্তী ট্ৰাক লৈ অৰুণাচলৰ আপাৰ সোৱণশিৰিৰ জিলাৰ গেলিমলৈ গৈ থকা অৱস্থাত ডা'পৰিজু দলঙ পোৱা মাত্ৰকে এখন বগা ৰঙৰ বলেৰ' বাহনত অহা ৬ জনীয়া দুৰ্বৃত্তৰ দলে ট্ৰাক চালক সঞ্জয় নাথক ডা'পৰিজু



দলঙ পোৱা মাত্ৰকে এখন বগা ৰঙৰ বাহনত অহা ৬ জনীয়া দুৰ্বৃত্তৰ দলে সঞ্জয় নাথক মাৰপিট কৰি বলপূৰ্বকভাৱে গাড়ীত উঠাই লৈ যায়। ঘটনাৰ খবৰ লাভ কৰাত স্থানীয় দল সংগঠনৰ লগতে ট্ৰাক চালক সন্থাৰ তৎপৰতাত পৰিয়ালৰ লোকে লিকাবালি থানাত গোচৰ দাখিল কৰাৰ ভিত্তিত দুয়োখন ৰাজ্যৰ আৰক্ষীয়ে চলোৱা তদন্তত মহিলাসহ চাৰিগৰাকী অভিযুক্তক আটক কৰাত চালক সঞ্জয় নাথক হত্যা কৰি পুতি থোৱাৰ কথা স্বীকাৰোক্তিৰ পাছতে সোৱণশিৰি নৈৰ বালিচৰত পুতি থোৱা অৱস্থাত উদ্ধাৰ কৰা হয় চালকজনৰ মৃতদেহ। মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ অন্তত সেই *(দহ পৃষ্ঠাত চাওক)*

# সমন্বয় সাহিত্য মঞ্চ, অসমৰ ২০২৪ বৰ্ষৰ বঁটা ঘোষণা

ৰঙিলী বাৰ্তাসেৱা- সাহিত্য মঞ্চ, অসমে প্ৰত্যেক বছৰ প্ৰতিষ্ঠা দিৱস উদযাপন উপলক্ষে অসমৰ সমাজ জীৱনত লগতে সাহিত্যৰ পথাৰত বিশেষ অৱদান থকা দুজন বিশিষ্ট ব্যক্তিক দুটা বিশেষ বঁটা আগবঢ়াই আহিছে। তাৰে এটা হৈছে "সমন্বয় বঁটা" আৰু এটা হৈছে "সমন্বয় সাহিত্যৰ জীৱনজোৰা সাধনা বঁটা"। বিগত বৰ্ষত ২৪/৯/২০২৩ ত গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিত হোৱা মঞ্চৰ দ্বিতীয় প্ৰতিষ্ঠা দিৱস উদযাপন অনুষ্ঠানত দুজন বিশিষ্ট ব্যক্তিক বঁটা প্ৰদান কৰা হয়। অসমৰ জাতীয় জীৱনত সমন্বয়ৰ বাবে কাম কৰা জাতি ধৰ্ম নিৰ্বিশেষে সকলোৰে লগত নিজক একাকাৰ কৰি দিয়া অধ্যাপক, শংকৰী সাহিত্য সাংস্কৃতিৰ গৱেষক *(দহ পৃষ্ঠাত চাওক)*

# তিনিটা মগজুৰ

হিতাৰ্থে কৰিব খোজা 'কিবা এটাৰ' অদম্য হেঁপাহে তেওঁলোকৰ সুপ্ত মগজুত ক্ৰিয়া কৰে আৰু তাৰ ফলশ্ৰুতিতেই বিভিন্ন সৃষ্টিৰাজীৰ সোঁৱাদ উপভোগ কৰিবলৈ পাওঁ। ইয়াৰ বিপৰীতে সুপ্ত মগজুৰ ঋনাত্মক কাৰ্য্যকলাপে সমাজ বিৰোধী নানান কাৰ্য্যৰ লগতে বিভিন্ন ধৰণৰ অপৰাধীৰ সৃষ্টি কৰে য'ত সেই সকল লোকৰ বিকৃত মানসিকতাৰ স্পষ্ট প্ৰতিফলন ঘটে। আমি আমাৰ প্ৰথমতো মগজু অৰ্থাৎ অনবৰতে জাগ্ৰত অৱস্থাত থকা মগজুতোৰ ওপৰত এক শক্তিশালী স্বচ্ছ মনেৰে নিজৰ নিয়ন্ত্ৰণত ৰাখিব পাৰিলেই সঠিক কক্ষপথত জীৱনটোক আগুৱাই নিব পাৰো। দিনত এক ৰাতি এক চৰিত্ৰৰ মানুহবোৰে নিজৰ দিনৰ নিকা স্বচ্ছ প্ৰতিচ্ছবি খনৰ বিপৰীতে ৰাতি সুপ্ত মগজুৰ মাজত কিলবিলাই উঠা বিষাক্ত কীটটোৰ দংশনত সংঘটিত কৰা সৰ্বনাশী কাণ্ডই সমগ্ৰ মানব জাতিটোক অতি বেয়াকৈ জোকাৰি গৈছে। উদাহৰণ স্বৰূপে, দিনৰ পোহৰত সমাজ সংস্কাৰৰ ভাষণ দি, ভদ্ৰতাৰ মুখা পিন্ধি, আনৰ দুঃখৰ সমভাগী হৈ বুকু ফিন্দাই ঘূৰি ফুৰা সকলৰ চোৰ, ডকাইত, ধৰ্ষণকাৰী তথা বিভিন্ন নিচাৰে আসক্ত ৰূপতো, যেতিয়াই আমাৰ সন্মুখত ধৰা দিয়ে, সকলোকে হতবাক কৰি তোলে। বিশ্বাস, ভালপোৱাৰ পৰিধি ভাঙি সৃষ্টি কৰে এজনৰ আনজনৰ প্ৰতি ভয়, শংকাৰ লগতে চৌদিশে অৰাজকতা, অস্থিৰতাৰ।

তৃতীয়টো মগজু, অৰ্থাৎ আমাক নিয়ন্ত্ৰণ কৰা আনৰ মগজুটো, যাৰ নিৰ্দেশত আমি উঠা-বহা কৰো, যি আমাৰ সকলো কাৰ্যপ্ৰণালী নিয়ন্ত্ৰণ কৰে, যাৰ আবেশত আমাৰ মন মগজু আছন্ন, সেইটো যদি পৰহিতৈশী, ধনাত্মক চিন্তাধাৰাৰ অধিকাৰী হয়, তেতিয়া চৌদিশ জাতিষ্কাৰ, মংগল ধ্বনিৰে মুখৰিত।

হিতে বিপৰীত যদি আমাৰ তৃতীয়টো মগজুৰ অধিকাৰী জন ঋণাত্মক চিন্তাধাৰাৰে পৰিপুষ্ট, অহংকাৰী তথা অনিষ্টকাৰী স্বভাবৰ হয়। তেনেস্থলত তেনে মগজুৰ নিৰ্দেশত কৰা কাৰ্য্যকলাপে বিভিন্ন সময়ত সমাজত নেতিবাচক প্ৰভাব পেলায় আৰু নিজৰ লগতে আনৰো বিপদ আবশ্যম্ভাৱী কৰি তোলে। তৃতীয় মগজুৰ কূট কৌশলৰ জালত ভৰি দি আমিবোৰ বিপথে গতি কৰিবলৈ আৰম্ভ কৰো আৰু এখন সুস্থ সবল ঘৰখনৰ লগতে সমাজৰ প্ৰতিও ভাবুকি কঢ়িয়াই আনো।

সেয়েহে আমাৰ তিনিওটা মগজুৰ ওপৰত সঠিক নিয়ন্ত্ৰণ খুবেই প্ৰায়োজন যাতে নিজৰ লগতে সমাজখন তথা ভৱিষ্যত প্ৰজন্মক সঠিক দিশত আগুৱাই নি মাতৃভূমিক আনৰ সন্মুখত এক জাকত জিলিকা ৰূপত প্ৰতিষ্ঠা কৰিব পাৰো।

# কাৰ্যকৰ্তা সকলৰ জীৱন্ত শক্তিয়ে বিজেপিক আৰু প্ৰাণৱন্ত কৰি ৰাখিছেঃ ড° হিমন্ত বিশ্ব শৰ্মা

ৰঙিলী বাৰ্ত্তাসেৱা- বিশ্বৰ সৰ্ববৃহৎ ৰাজনৈতিক দল ভাৰতীয় জনতা পাৰ্টিয়ে সমগ্ৰ দেশজুৰি 'সদস্যতা ভৰ্তি' অভিযান আৰম্ভ কৰিছে। যোৱা ২ ছেপ্তেম্বৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰথমজন কাৰ্যকৰ্তা হিচাপে সদস্য পদ গ্ৰহণ কৰাৰ পিছত বিজেপি শাসিত প্ৰতিখন ৰাজ্যতে মুখ্যমন্ত্ৰীসকলে দলৰ সদস্য পদ গ্ৰহণ কৰে। সেই অনুসৰি সাধাৰণ সম্পাদক তথা 'সদস্যতা ভৰ্তি অভিযান ২০২৪'ৰ আহ্বায়ক পল্লৱ লোচন দাসৰ তত্ত্বাৱধানত ৰাজ্যিক



বিজেপিৰ বশিষ্ঠস্থিত মুখ্য কাৰ্যালয় 'অটল বিহাৰী বাজপেয়ী ভৱন'ত আয়োজিত এক অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই, দলৰ সভাপতি ভবেশ কলিতাৰ পৰা সদস্য পদ গ্ৰহণ কৰে। কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, অসম চৰকাৰৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য, দলৰ জ্যেষ্ঠ নেতা নাৰায়ণ বৰকটকী, বিজয়া চক্ৰৱৰ্তী, মনোজ ৰাম ফুকন, শৈল কুমাৰী সিনহা, মহাবীৰ স্বামী, কুইন ওজাৰ লগতে প্ৰায় পাঁচ শতাধিক কাৰ্যকৰ্তা অনুষ্ঠানত উপস্থিত থাকি এই বিশেষ মুহূৰ্তৰ সাক্ষী হৈ ৰয়।

দলৰ সদস্য পদ গ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, সদস্যতা অভিযান এক পবিত্ৰতা মহাযজ্ঞ ।আমাৰ দল কাৰ্যকৰ্তাৰ ওপৰত নিৰ্ভৰশীল। কাৰ্যকৰ্তা সকলৰ জীৱন্ত শক্তিয়ে বিজেপিক প্ৰাণৱন্ত কৰি ৰাখিছে। বিজেপিয়ে পৰিয়ালাম্ত্ৰিক ৰাজনীতিৰ পৰা আঁতৰত থাকি ভাৰতীয় গণতন্ত্ৰত এক নতুন প্ৰমূল্য স্থাপন কৰিছে। কংগ্ৰেছ বুলি ক'লেই যেনেকৈ এটা পৰিয়ালৰ চিত্ৰ আমাৰ মনলৈ আহে, তেনেকৈ ভাৰতীয় জনতা (দহ পৃষ্ঠাত চাওক)

# ৰাজ্যৰ কেইবাজনো বিশিষ্ট শিক্ষাবিদ, সমাজ তথা সাংস্কৃতিক কৰ্মীৰ বিজেপিত যোগদান



ৰঙিলী বাৰ্ত্তাসেৱা- বিশ্বৰ সৰ্ববৃহৎ ৰাজনৈতিক দল ভাৰতীয় জনতা পাৰ্টিয়ে সমগ্ৰ দেশজুৰি 'সদস্যতা ভৰ্তি' অভিযান আৰম্ভ কৰিছে। যোৱা ২ ছেপ্টেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰথমজন কাৰ্যকৰ্তা হিচাপে সদস্য পদ গ্ৰহণ কৰাৰ পিছত মণ্ডলবাৰে বিজেপি শাসিত প্ৰতিখন ৰাজ্যতে মুখ্যমন্ত্ৰীসকলে দলৰ সদস্য পদ গ্ৰহণ কৰে। আনহাতে দলৰ সদস্যপদ গ্ৰহণৰ দিনটোতে ৰাজ্যখনৰ কেইবাজনো শিক্ষাবিদ, সামাজিক তথা সাংস্কৃতিক কৰ্মীয়ে ভাৰতীয় জনতা পাৰ্টিত আনুষ্ঠানিকভাৱে যোগদান কৰে। আই আই ই, গুৱাহাটীৰ প্ৰাক্তন অধ্যক্ষ মনোজ কুমাৰ দাস, তেখেতৰ সহধৰ্মিনী আই আই টি, দিল্লীৰ প্ৰাক্তন চিকিৎসক বিষয়া ডাঃ অজন্তা বৰুৱা দাস, ছাউথ পইন্ট বিদ্যালয়ৰ অধ্যক্ষ কৃষ্ণৰঞ্জন চন্দ্ৰ, চেণ্ট্ৰেল বেংক ইণ্ডিয়াৰ প্ৰাক্তন মুখ্য প্ৰবন্ধক দ্বিজেন দত্ত, সন্দিকৈ মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ প্ৰাক্তন অধ্যাপক নৱজিত দত্তৰ লগতে সাংস্কৃতিক কৰ্মী তথা অভিনয় জগতৰ ভৰেশ দাস, দিব্যজ্যোতি দাস, অমৃতপ্ৰাণ আৰু পিংকী শৰ্মাই ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাৰ পৰা দলৰ সদস্য পদ গ্ৰহণ কৰে। উক্ত যোগদান অনুষ্ঠানত ৰাজ্যিক বিজেপিৰ সাধাৰণ সম্পাদক পল্লৱ লোচন দাসো উপস্থিত আছিল।

# "অসমীয়া বিজেপি বাৰ্তা"ৰ ছেপ্তেম্বৰ সংখ্যাটি উন্মোচন



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যিক বিজেপিৰ মাহেকীয়া মুখপত্ৰ "অমসীয়া বিজেপি বাৰ্তা"ৰ অষ্টম বৰ্ষৰ, নৱম সংখ্যক খণ্ডটি ৰাজ্যিক সভাপতি ভবেশ কলিতাই উন্মোচন কৰে। তেওঁ কয়, এই মুখপত্ৰই দলৰ নীতি-আদৰ্শৰ লগতে চৰকাৰৰ কৰ্মৰাজিও ধাৰাবাহিকভাৱে প্ৰচাৰ কৰি আহিছে। দলীয় কাৰ্যকৰ্তাৰ লগতে প্ৰতিজন পাঠকৰ বাবে "অসমীয়া বিজেপি বাৰ্তা" অধ্যয়নৰ সমল হ'ব পাৰে। অনুষ্ঠানত ৰাজ্যিক বিজেপিৰ সংবাদ বিভাগৰ আহ্বায়ক দেৱান ধ্ৰুৱজ্যোতি মৰল, কাৰ্যালয় সম্পাদক সুশান্ত বিশ্বাস, মিডিয়া পেনেলিষ্ট ব্ৰজেন মহন্তও উপস্থিত আছিল।

# অসম চিকিৎসা মহাবিদ্যালয় ও চিকিৎসালয়ৰ আভ্যন্তৰীণ সুৰক্ষা সন্দৰ্ভত টাস্ক ফৰ্চৰ গুৰুত্বপূৰ্ণ সভা

ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ সভাপতিত্বত ২ চেপ্টেম্বৰত অসম চিকিৎসা মহাবিদ্যালয় ও চিকিৎসালয়ৰ আভ্যন্তৰীণ সুৰক্ষা সন্দৰ্ভত টাস্ক ফৰ্চৰ এখন গুৰুত্বপূৰ্ণ সভা অসম চিকিৎসা মহাবিদ্যালয়ৰ প্ৰশাসনিক ভৱনৰ সভাকক্ষত অনুষ্ঠিত হয়। চিকিৎসা মহাবিদ্যালয়খনৰ নিৰাপত্তাৰ ক্ষেত্ৰত জড়িত বিভিন্ন সংস্থাৰ বিষয়ববীয়াসকলৰ উপস্থিতিত অনুষ্ঠিত হোৱা সভাত কৰ্মৰত চিকিৎসক, ৰোগী তথা ৰোগীৰ লগত অহা আত্মীয়ৰ সুৰক্ষাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ সন্দৰ্ভত বিতংভাৱে আলোচনা



কৰা হয়। জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে চিকিৎসা মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ সুৰক্ষা সুনিশ্চিত কৰাৰ লগতে প্ৰতিষ্ঠানটোৰ চৌহদৰ ভিতৰভাগত যাতে কোনোধৰণৰ অবৈধ কাৰ্যকলাপ সংঘটিত নহয় তাৰ বাবে দায়িত্বত নিয়োজিত সুৰক্ষা এজেঞ্চীৰ কৰ্মীসকলক ২৪ ঘণ্টাই সক্ৰিয় হৈ থাকিবলৈ নিৰ্দেশ দিয়ে। সুৰক্ষাৰ ক্ষেত্ৰত যিকোনো ধৰণৰ গাফিলতি সংঘটিত হ'লে কঠোৰ ব্যৱস্থা গ্ৰহণ (দহ পৃষ্ঠাত চাওক)

# কণ্ঠশিল্পী ৰাজ মহিম নাথক "সংগীত নন্দন" বঁটা প্ৰদান



ৰঙিলী বাৰ্ত্তাসেৱা-গুৱাহাটী জ্যোতি চিত্ৰবনত ১ চেপ্তেম্বৰত (NEBCUS)ৰ উদ্যোগত অনুষ্ঠিত হোৱা ভাৰতৰত্ন ডঃ ভূপেন হাজৰিকাৰ ৰাষ্ট্ৰীয় "সংগীত নন্দন" বঁটা ২০২৪ চনৰ শুৱালকুছি, গন্ধমৌ নিবাসী কণ্ঠশিল্পী ৰাজ মহিম নাথক প্ৰদান কৰা হয় ।বিভিন্ন ঠাইত গীত পৰিৱেশন কৰা কণ্ঠশিল্পী গৰাকীৰ এই ৰাষ্ট্ৰীয় সন্মানে সকলোকে আনন্দিত কৰি তুলিছে । গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিভিন্ন সাংস্কৃতিক নৃত্য আৰু গীতেৰে জীপাল হৈ পৰে। কণ্ঠশিল্পী ৰাজ মহিম নাথে সংগীতৰ জৰিয়তে যি সন্মান লাভ কৰিলে তাক লৈ অঞ্চলবাসীৰ লগতে শুভাকাংখী সকলে শুভেচ্ছা জনাইছে। বিভিন্ন ঠাইত গীত পৰিৱেশন কৰা কণ্ঠ শিল্পী গৰাকীৰ এই ৰাষ্ট্ৰীয় সন্মানে সকলোকে আনন্দিত কৰি তুলিছে ।

এক মিনিটৰ গল্প

# অভিশপ্ত স্মৃতি

পৰিস্মিতা বৰা হাজৰিকা
মাজুলী



ডিচেম্বৰ মাহৰ এটা সুন্দৰ পুৱা। ফৰকাল বতৰ। পুৱাৰ কোমল ৰ'দচাতিয়ে মালবিকাৰ মনটো পোহৰাই তুলিলে । আগচোতালৰ চকীখনতে বহি চাই ৰল বাহিৰৰ সৌন্দৰ্য। কিমান প্ৰিয় আছিল এই ৰ'দ কাচলি । ঠাণ্ডা দিনত কোমল ৰ'দচাতিয়ে সিচি দিয়া এই সুবাস বৰ প্ৰিয় আছিল মালবিকা দুৱৰাৰ।

বাইদেউ, চাহ খাওক আৰু এইখন আজিৰ বাতৰি কাকত। পুৱাৰ চাহ কাপ আৰু কাকত খন দুয়োটা সংগী হৈ পৰিছে মিছ দুৱৰাৰ। গৰম গৰম চাহ খাই খাই কাকতখন পঢ়াৰ মজাই বেলেগ। কাকতখন মেলি আচৰিত হৈ পৰিল মালবিকা দুৱৰা। বৰ বৰ হৰফেৰে লিখা সেই বাতৰিতো দেখি উচপ খাই উঠিল মালা। এগৰাকী নাম জ্বলা গল্পকাৰ, ঔপন্যাসিক হিচাপে সুৱঞ্জনা দুৱৰালৈ আগবঢ়োৱা হৈছে এই বৰ্ষৰ সাহিত্য অকাডেমী বটা। একে উশাহে পঢ়িলে বাতৰিটো। আচৰিত হ'ল মালবিকা দুৱৰা। আনন্দতে চকুলো বৈ আহিল মালাৰ।

কেনেকৈ প্ৰকাশ কৰে মনৰ বতৰা। এইয়া যে তেওঁৰ ছদ্মবেশ সেইটো কোনেই নাজানে। এতিয়া কয় কেনেকৈ। নিজৰ অকলশৰীয়া সময়বোৰ পাৰ কৰিছিল গল্প, কবিতা লিখি। নিজৰ জীৱনৰ সেই অভিশপ্ত দিনবোৰ সুৱৰি লিখি গৈছিল ইটোৰ পিছত সিটো কৰুণ কাহিনী। আৰু এদিন মনৰ আনন্দতেই পঠাইছিল বিভিন্ন আলোচনী, কাকতলৈ এটি ছদ্মনামেৰে। সুৱঞ্জনা দুৱৰা। আৰু আজি সেই সুৱঞ্জনা দুৱৰাই সাহিত্য অকাডেমী বটা পাইছে । কিন্তু কেনেকৈ আজি মালবিকাই মানুহৰ আগত নিজকে পৰিচয় দিব ? কেনেকৈ? বিভিন্ন জনৰ প্ৰশ্নৰ উত্তৰ দিবলৈ নিজকে কেনেকৈ সাজু কৰে মালবিকাই। এটা জটিল সমস্যাই দেখা দিলে মালাৰ সন্মুখত। কেনেকৈ দুৰ কৰে এই প্ৰত্যাহবান? নিসংগতাৰে আবৰা সময়বোৰৰ একমাত্ৰ লগৰী আছিল কাগজ আৰু কলম। সেই কাগজতেই লিপিবদ্ধ কৰিছিল সেই কৰুণ স্মৃতি। জোন, বেলিক সাক্ষী কৰি লিখা সেই স্মৃতি। এতিয়া এটা বটাৰ বাবে কেনেকৈ নিজকে উলিয়ায় আনে সমাজৰ মুখা পিন্ধা সেই ভদ্ৰ মানুহবোৰৰ ওচৰলৈ। যাৰ বাবে আজি ইমান বছৰে পলৰীয়া জীৱন পাৰ কৰিছে মালাই।

আজিও পাহৰো বুলিও পাহৰিব পৰা নাই মালাই তেওঁৰ জীৱনৰ সেই কৰুণগাথা । চকুৰ সন্মুখত জোনাকী পৰুৱা হৈ তিৰবিৰাই উঠিল অতীতৰ সেই স্মৃতি ।

গোলাঘাট চহৰৰ এখন সম্ভ্ৰান্ত ঘৰৰ মালিক নীৰেন দুৱৰা। নীৰেন দুৱৰা আৰু নিৰ্মালী দুৱৰাৰ একমাত্ৰ সন্তান মালা। মালবিকা দুৱৰা। মাক - দেউতাকৰ হীয়াৰ আমঠু মালাই সৰুৰে পৰা পঢ়া শুনা সকলোতেই প্ৰখৰ বুধিৰ আছিল । আৰু সকলোৰে নয়নৰ মনি মালাই মাক - দেউতাকৰ প্ৰতিটো ইচ্ছাই পুৰণ কৰিবলৈ সদায় চেষ্টা কৰিছিল। কিন্তু সকলো গিলি পেলালে নিষ্ঠুৰ সময়ৰ কৰাল গ্ৰাসে। ভৰ যৌৱনত ভৰি দিয়েই প্ৰেমৰ নদীত সাতুৰি দিকবিদিগ হেৰুৱাইছিল মালাই। মৰমৰ প্ৰৱঞ্চনাই বহুত কথাই শিকাই গৈছিল কম বয়সতেই মালাক। সেই ভুলৰ বাবেই হেৰুৱাছিল মাক দেউতাকক । কেতিয়াও ক্ষমা নকৰো বুলি ঘৰৰ পৰা উলিয়াই দিয়া মাক দেউতাকে এবাৰো নাভাবিলে একমাত্ৰ সন্তানৰ ভৱিষ্যৎৰ কথা। ঘৰৰ ঠিকনা হেৰুৱাই মালাই নতুন ঠিকনা ললে বেশ্ৰালয়ৰ । জীয়ায় থকাৰ তাৰনাত নিজকে সৰ্পি দিলে সমাজৰ এচাম ভদ্ৰ লোকৰ হাতত। আৰু আজি কি পালে নিজকে বেশ্ৰা সজাই। জীৱনৰ আনন্দৰ মুহূৰ্ত বোৰতো সাহৰেৰে ঠিয় হব নোৱাৰা মালাই চকুলো টুকিছে নিৰবে নিশব্দে। অতীতৰ এটা ভুল সিদ্ধান্ত বাবেই জীৱনৰ বিয়লি বেলাত অনুশোচনাত দগ্ধ হৈছে মালবিকা দুৱৰা । নিজৰ সৃষ্টি ৰাজিৰ বাবে পোৱা বটাটোও আনিবলৈও সাহস নাই মালাৰ । চাদৰৰ আচলেৰে চকুলো টুকি ভুলৰ প্ৰায়শ্চিত্ত বিচাৰিছে নিজৰ ওচৰতে। কাকত খন বুকুৰ মাজত সাবটি কান্দি উঠিল মালা এক গভীৰ দুখত ।

# শিক্ষাগুৰু আৰু শিক্ষক দিৱস



অনামিকা (সংগীতা)কলিতা

বোৱতী নৈৰ দুয়ো পাৰ এফালে পোহৰ আনফালে আন্ধাৰ। আন্ধাৰ খিনি আঁতৰাই পোহৰৰ পথ দেখুৱাই লৈ যোৱা ব্যক্তি গৰাকীয়ে হ'ল শিক্ষাগুৰু যাৰ কাৰণে আমি জ্ঞান ল'ব পাৰিছোঁ। তেনে এজন শিক্ষাগুৰু সকলোৰে পৰিচিত জগতত এক বিৰল উদাহৰণ তেখেত নাই যদিও তেখেতৰ গুণ গৰিমা দশোদিশে প্ৰবাহিত হৈ আছে আৰু থাকিব। মোৰ অকণমান অনুভৱ লিখিবলৈ প্ৰয়াস কৰিলোঁ।

৫চেপ্তেম্বৰ দিনটো পৱিত্ৰ দিন। এই দিনটো শিক্ষক দিৱস হিচাপে পালন কৰা হয়। ইয়াৰ অন্তৰালত এগৰাকী মহান মনীষীৰ জন্মদিন, তেখেতক আমি শ্ৰদ্ধাৰে সোঁৱৰো সেই গৰাকী মহান ব্যক্তি "ডঃ সৰ্ব পলী ৰাধাকৃষ্ণণ"।

ডক্টৰ সৰ্বপলী ৰাধাকৃষ্ণণৰ জন্ম হয় ১৮৮৮চনৰ ৫ চেপ্তেম্বৰ তাৰিখে মাদ্ৰাজৰ তিৰুটানি নামে ঠাইত। ব্ৰাহ্মণ পৰিয়াল সন্তান আছিল, মধ্যবিত্ত পৰিয়ালৰ ল'ৰা। পিতৃ সৰ্ব পলী ৱীৰাস্বামী আৰু মাতৃ সীতাম্মাৰ এজন সুদক্ষ মেধা সম্পন্ন সন্তান আছিল ৰাধাকৃষ্ণণ। দেউতাক সাধাৰণ কৰ্মচাৰী ব্ৰাহ্মণ হলেও ভাৱধাৰা উচ্চস্তৰৰ আছিল। যাৰ কাৰণে ৰাধা কৃষ্ণণে খ্ৰিষ্টিয়ান মিশ্যনেৰিসকলৰ দ্বাৰা স্থাপিত স্কুল কলেজত পঢ়ি দৰ্শন বিভাগত অনাৰ্চ লৈ সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। ইয়াৰ পিছত মাষ্টাৰ ডিগ্ৰী লাভ কৰি, অধ্যাপক জীৱনৰ পাতনি মেলিছিল। এজন আদৰ্শ দাৰ্শনিক শিক্ষা জীৱনৰ লগত জড়িত ব্যক্তি আছিল। পাছলৈ এই জ্ঞানী পুৰুষ জনেই দুবাৰকৈ উপৰাষ্ট্ৰপতি, এবাৰ ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হৈছিল। নাইট উপাধি আৰু ভাৰত ৰত্ন উপাধিৰে বিভূষিত ব্ৰহ্মজ্ঞানী ব্যক্তিজনৰ বিষয়ে লিখি শেষ কৰিব নোৱাৰো। দেশৰ সৰ্বোচ্চ সন্মানৰ অধিকাৰী হৈছিল যদিও, বিশ্ববাসীৰ চকুৰ আগত তেখেতৰ স্থান আছিল এজন মহান দাৰ্শনিক আৰু শিক্ষক হিচাপে। এই স্থান চিৰ দিনলৈ লিপিবদ্ধ থাকিব যুগ যুগান্তৰলৈকে ।

বৰ্তমান যুৱ প্ৰজন্মৰ কিছু সংখ্যক অন্ধকাৰ দিশলৈ গতি কৰা দেখিছোঁ। দেখি মন সেমেকি যায়। হত্যা, হিংসা চাৰিওফালে কলুষিত বাতাবৰণ শুদ্ধ পথৰ প্ৰদৰ্শক হিচাপে "ডক্টৰ সৰ্বপলী ৰাধাকৃষ্ণণৰ" দৰে শিক্ষাগুৰুৰ বিশেষ প্ৰয়োজন আছে। বুৰঞ্জী প্ৰতিটো লিপি এবাৰ চকু ফুৰাই চাওঁ শিক্ষাগুৰু সকলৰ সেই তাহানিৰ পৰা বৰ্তমানলৈকে এক উল্লেখযোগ্য ভূমিকা আছিল আৰু বৰ্তমানো আছে।

৫ চেপ্তেম্বৰ তাৰিখটো অহাৰ লগে লগে তেখেতৰ ভাৱধাৰা বোৰ মনলৈ আহি যায়। এই মনীষী জনৰ আদৰ্শ অনুকৰণ কৰি আহিছোঁ । মোৰ আঙুলিত ধৰি জীৱনৰ প্ৰথম আদি পাঠ শিকোৱা মা-দেউতাৰ নাম উল্লেখ নকৰিলে, হয়তো লিখনি আধৰুৱা হব। তেওঁলোক দুয়ো গৰাকী প্ৰথম শিক্ষা গুৰু। তেওঁ লোকে নিজৰ জীৱনৰ অভিজ্ঞতাৰে আমাক নীতি শিক্ষা দিছিল। এতিয়াও সৰোগত কৰি চলি আহিছোঁ। সেই গুৰু দুগৰাকীক হৃদয়ৰ পৰা প্ৰণাম জনালোঁ। এটি স্তৱক আগবঢ়ালোঁ।

গুৰু শিষ্যৰ সমন্বয়ৰ
জ্ঞানৰ পোহৰেৰে উজলাই
সময়ৰ সুগন্ধি নৈ,
শিষ্যৰ প্ৰগতি মনৰ শকতি
আশীষ বিচাৰি কৰো
সাফল্যৰ বিজয় উল্লাস।

# ৰাতি ফুলা নীল আকাশৰ জোন

যমুনা দুলু বৈশ্য,গুৱালকুছি



প্ৰতিটো ঋতুৰ অমৃত ঢালি
তুমি মোৰ চকুত ধৰা দিছিলা
ভালপোৱাৰ বাসনাই নুপুৰ বজাইছিল
এক মিঠা শিহঁৰণ স্পৰ্শে
তোমাৰ স'তে ৰোপন কৰা
প্ৰতিটো বস্তুই মোক আজিও দিয়ে সোঁৱৰাই ।
তোমাৰ বুকুৰ সৌন্দৰ্য গছ-বিৰিখ, পাহাৰ ভৈয়াম
নদীৰ পৰা সাগৰলৈ বোৱাই অনা প্ৰণয়ৰে
সকলোতেই দেখিবলৈ পোৱা তোমাৰ মোৰ
মিলনৰ হাঁহি হেৰাই গ'ল
কিন্তু সেই -সময়ৰ কথাবোৰ....?
অতীত, বৰ্তমান, ভৱিষ্যতে যে আকৌ
লগ পাম নাই আশা, স্মৃতি হৈ ৰয়,
এটি মুদ্ৰাৰ দুটি পিঠিৰ দৰে, হেঁপাহ জাগে
এতিয়া হৃদয়ৰ পৃষ্ঠাতে লিপিবদ্ধ
সময়ে পৰিবৰ্তন আনিলে
বহু দুৰলৈ...? উভতি চোৱাৰ সময় বা...ক'ত...?
ৰাতি ফুলা সেই নীল আকাশৰ
জোনটি মইহে ছাগে দেখো
দাপোণত ভাঁহে অনুভূতিৰ পৰশ জগাই ।

# শিক্ষক দিৱস

**ৰাজশ্ৰী শৰ্ম্মা,গোলাঘাট, বনগাঁও**




গুৰু ব্ৰহ্মা, গুৰু বিষ্ণু, গুৰু দেৱ মহেশ্বৰ গুৰু সাক্ষাৎ পৰমব্ৰহ্ম তস্মৈ শ্ৰী গুৰুৱে নমঃ

বিংশ শতিকাৰ পৰা বহুতো দেশত শিক্ষক দিৱস উদ্যাপন কৰাৰ ধাৰণা গঢ় লৈ উঠে; সাধাৰণতে স্থানীয় এজন শিক্ষাবিদৰ জীৱন বা শিক্ষা বিষয়ক গুৰুত্বপূৰ্ণ তাৰিখত এই দিন পালন কৰা হয় (যেনে- আৰ্জেন্টিনা ১৯১৫ চনৰ পৰা ড'মিংগ' ফ'ষ্টিন' চাৰ্মিয়েণ্টৰ মৃত্যুৰ দিন ১১ ছেপ্টেম্বৰত আৰু ভাৰতত, প্ৰখ্যাত দাৰ্শনিক আৰু ভাৰতৰ দ্বিতীয় ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিন উদযাপন কৰি ৫ ছেপ্টেম্বৰত শিক্ষক দিৱস পালন কৰা হয়।)

শিক্ষাৰ্থীসকলৰ ভৱিষ্যত গঢ়াৰ ক্ষেত্ৰত শিক্ষকসকলৰ অক্লান্ত প্ৰচেষ্টা আৰু অমূল্য অৱদানক সন্মান আৰু প্ৰশংসা কৰাৰ বাবে উৎসৰ্গিত এক বিশেষ অনুষ্ঠান। শিক্ষাৰ প্ৰতি ড° ৰাধাকৃষ্ণণৰ প্ৰতিশ্ৰুতি আৰু সমাজৰ পৰিৱৰ্তনৰ বাবে শিক্ষকৰ শক্তিৰ ওপৰত তেওঁৰ বিশ্বাসে এই দিনটোক অধিক গুৰুত্বপূৰ্ণ কৰি তুলিছে। শিক্ষক দিৱসত, শিক্ষাৰ্থীসকলে তেওঁলোকৰ শিক্ষকসকলৰ প্ৰতি বিভিন্ন ধৰণে প্ৰশংসা প্ৰকাশ কৰে। ইয়াত অন্তৰ্ভুক্ত থাকিব পাৰে বিশেষ সভা, সাংস্কৃতিক কাৰ্যসূচী, বা শিক্ষকসকলক কাৰ্ড আৰু উপহাৰ প্ৰদান কৰে। এইয়াৰ দ্বাৰা শিক্ষকসকলে তেওঁলোকৰ শিক্ষাৰ্থীসকলৰ জীৱনত গভীৰ প্ৰভাৱ পেলোৱাৰ স্মাৰক হিচাপে কাম কৰে।

শিক্ষক দিৱস হৈছে এক গুৰুত্বপূৰ্ণ অনুষ্ঠান যিয়ে আমাক আমাৰ জীৱন আৰু সমাজত শিক্ষকসকলে পালন কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা মনত পেলাই দিয়ে। এইটো আমাৰ কৃতজ্ঞতা প্ৰকাশ কৰাৰ আৰু আমাৰ ভৱিষ্যত গঢ়াৰ ক্ষেত্ৰত তেওঁলোকৰ নিস্বাৰ্থ প্ৰচেষ্টাক স্বীকৃতি দিয়াৰ দিন। যেতিয়া আমি প্ৰতি বছৰে ৫ ছেপ্টেম্বৰত শিক্ষক দিৱস উদযাপন কৰোঁ, আমি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ কথামনত পেলাওঁ, যিয়ে কৈছিল, "প্ৰকৃত শিক্ষকসকল হৈছে সেইসকল যি আমাক নিজৰ বাবে চিন্তা কৰাত সহায় কৰে।" আহক আমি পথপ্ৰদৰ্শক পোহৰক সন্মান কৰোঁ যিয়ে আমাক জ্ঞান আৰু জ্ঞানৰ পথ তৈয়াৰ কৰাত সহায় কৰে। শিক্ষক দিৱস হৈছে আমাৰ জীৱন আৰু ভৱিষ্যত গঢ়ি তোলা শিক্ষাবিদসকলক সন্মান জনোৱাৰ দিন। ই আমাক তেওঁলোকে প্ৰদান কৰা অমূল্য সেৱা আৰু সমাজত তেওঁলোকৰ গভীৰ প্ৰভাৱৰ কথা মনত পেলাই দিয়ে।

শিক্ষকে ছাত্ৰৰ জীৱনৰ যিকোনো সমস্যা সমাধানৰ সঠিক উপায় শিকাবলৈ চেষ্টা কৰে। ছাত্ৰজনক সফল কেৰিয়াৰ গঢ়ি তোলাত নিস্বাৰ্থভাৱে সহায় কৰে।

শিক্ষকসকল হৈছে শিক্ষা আৰু বিকাশৰ আধাৰশিলা। তেওঁলোকে হৈছে পথপ্ৰদৰ্শক যি তেওঁলোকৰ শিক্ষাৰ্থীসকলৰ প্ৰতিভা আৰু সামৰ্থ্যৰ জ্ঞান, অনুপ্ৰেৰণা আৰু প্ৰতিপালন কৰে। এজন শিক্ষকৰ ভূমিকা শ্ৰেণীকোঠাৰ বাহিৰত বহুদূৰ লৈকে বিস্তৃত; তেওঁলোক হৈছে পৰামৰ্শদাতা, অনুপ্ৰেৰক, আৰু প্ৰায়ে, জীৱনজোৰা প্ৰভাৱশালী। তেওঁলোকৰ নিষ্ঠা আৰু প্ৰতিশ্ৰুতিয়েই যুৱ প্ৰজন্মৰ চৰিত্ৰ, মূল্যবোধ আৰু বুদ্ধিক আকাৰ দিয়ে, তেওঁলোকক জীৱনৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ প্ৰস্তুত কৰে। শিক্ষকসকলে সামগ্ৰিকভাৱে ব্যক্তি আৰু সমাজৰ ভৱিষ্যত গঢ়াত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

কাৰ্যকৰী শিক্ষা আৰু ব্যক্তিগত বিকাশৰ বাবে শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজৰ সম্পৰ্ক গুৰুত্বপূৰ্ণ। ই বিশ্বাস, সন্মান আৰু যোগাযোগৰ ওপৰত নিৰ্মিত। শিক্ষকসকলে জ্ঞান, নিৰ্দেশনা আৰু পৰামৰ্শ প্ৰদান কৰে, এক ইতিবাচক শিক্ষাৰ পৰিৱেশ গঢ়ি তোলে। ইয়াৰ পৰিৱৰ্তে শিক্ষাৰ্থীসকলে সন্মান প্ৰদৰ্শন কৰে, সক্ৰিয়ভাৱে জড়িত হয়, আৰু প্ৰয়োজন হ'লে নিৰ্দেশনা বিচাৰে। এক সহায়ক শিক্ষক-শিক্ষাৰ্থীৰ সম্পৰ্কে অনুপ্ৰেৰণা বৃদ্ধি কৰে, আত্মবিশ্বাস বৃদ্ধি কৰে, আৰু শৈক্ষিক আৰু ব্যক্তিগত বিকাশত সহায় কৰে।

# অসমত চলিছে খিলঞ্জীয়া আৰু মিঞাৰ ৰাজনীতি




**শৈলেন কুমাৰ,মিৰ্জা**

ৰাজ্যত খিলঞ্জীয়াৰহে প্ৰভুত্ব চলিব, মিঞা'ক উজনিলৈ যাবলৈ দিয়া নহব - ইত্যাদি উত্তপ্ত বিতৰ্কিত শ্লোগানেৰে ৰাজনীতি তোলপাৰ লাগিছে। ফলত চৰম বিভ্ৰান্তিৰ মাজেৰে নৈৰাজ্যৰ দিশে অসম তথা জনসাধাৰণ।

কিছুমান বক্তব্য ৰাজনীতিত ভাল দেখি কিন্তু বাস্তৱত চাবলৈ গ'লে তাৰ ওলোটাহে। নিৰ্বাচনৰ সময়ত মিঞা'কো লাগে আৰু খিলঞ্জীয়াকো লাগে, নিৰ্বাচন শেষ হোৱাৰ পাছত মিঞা- খিলঞ্জীয়াৰ ৰাজনীতি। মিঞাৰ যদি আমাৰ প্ৰয়োজনে নাই তেতিয়া হ'লে নিৰ্বাচনৰ সময়ত জনপ্ৰতিনিধিয়ে ভোট বিচাৰি কিয় যায় ? মিঞা'ক আমিয়েই বহুৱাইছো, আমিয়েই খুৱাইছোঁ যিটো আমাৰ অকৰ্মণ্যতাৰ পৰিচয় । আমি যে খাব খোৱা অসমীয়া আমাৰ কৰ্ম মুখেৰে প্ৰতিফলিত হয়, হাতেকামে কৰাৰ সময়ত আমাৰ হাতভৰি ফুলে। খিলঞ্জীয়াইও কৰ্ম কৰিছে মিঞাইও কৰ্ম কৰিছে। অকৰ্মন্য হৈ কোনোৱে খাবলৈ নেপায় । বিভেদ, বিভাজন ধৰ্ম আৰু ৰাজনীতিয়ে আনে কৰ্মত কোনো জাতিধৰ্ম নাই কাৰণ ভোকাতুৰ পেটে নেজানে কোনো জাতিধৰ্ম। কৰ্মস্পৃহা যাৰে বেছি সেইজনেই উন্নতিৰ শিখৰ বগাবলৈ সক্ষম হয়। অসম বহু সমস্যাৰে জৰজৰিত এখন দেশ ৰাজনীতিৰ বিষয়বস্তু হব লাগে আমাৰ সমস্যা সমূহ বানপানীৰ সমস্যা, মহানগৰীৰ কৃত্ৰিম বানপানীৰ সমস্যা, নিবনুৱা সমস্যা, আৰ্থিক দৰিদ্ৰতা, শিক্ষা, জ্ঞান, সন্মান, মানমৰ্য্যাদা ইত্যাদি। কিন্তু তাৰ বিপৰীতে বিষয়বস্তু হৈছে মিঞা আৰু খিলঞ্জীয়া ইয়াৰ পৰা ৰাজনেতা সকলৰ সুবিধা হ'ব পাৰে কিন্তু জনসাধাৰণৰ কোনো হিতাহিত নহয়। অসম দেশ তেতিয়াহে মহান হ'ব যেতিয়া আমাৰ চিন্তাধাৰা উচ্চ হ'ব নহলে ৰাজনেতা সকলৰ পকেট গৰম হ'ব। উত্তপ্ত বিতৰ্ক শ্লোগানেৰে ৰাজনীতি তোলপাৰ লগাই ভোগী সকলে ভোগ কৰি সিপাৰ হ'ব কিন্তু দুৰৱস্থা হ'ব চলিত প্ৰজন্মটোৰ আৰু আহি থকা প্ৰজন্মটোৰ। গতিকে সজাগ সচেতনতাৰ প্ৰয়োজন যথেষ্ট ভাৱে জৰুৰী নহলে বিপদ অনিবাৰ্য্য ।

**মোৰ এটি অনুভৱ**

# সম্পৰ্কৰ সৌন্দৰ্য




**নমিতা দাস,গুৱালকুছি, শান্তিতোল**

প্ৰতিটো সম্পৰ্কৰে এটা স্বক্ৰিয় বৈশিষ্ট আছে। সেই সম্পৰ্কতে আছে সৌন্দৰ্য। মানৱ জীৱনৰ স্থিতিৰ লগে লগে আমি সম্পৰ্কৰ মেৰ পাকত সোমাই পৰো। সেয়া হৈছে তেজৰ সম্পৰ্ক। তেজৰ সম্পৰ্ক বোৰত নাম দিয়া হৈছে বিভিন্ন নামেৰে নামাকৰণ কৰি সম্পৰ্ক বোৰ নিয়াৰিকৈ চলাই নিবলৈ হৃদয়ৰ পৰা যত্ন কৰি সম্পৰ্ক বোৰৰ সৌন্দৰ্য বৃদ্ধি কৰাত জীৱ শ্ৰেষ্ঠ মানৱ জীৱনে সদায় আগ-ভাগ লৈ আহিছে। পিতৃ- মাতৃ, দাদা - বাইদেউ, ভাই - ভগ্নী পেহা- পেহী, খুৰা- খুৰী, বৰমা - বৰদেউতা বন্ধু- বান্ধৱী ইত্যাদি, বিভিন্ন সম্পৰ্কৰে নামাকৰণ কৰি তেওঁলোকৰ লগত জৰিত হৈ পৰে আমাৰ জীৱন ।

জীৱন যোৱা এই সম্পৰ্কই সামাজিক ভাৱে ৰীতি- নীতি ৰে বান্ধি ৰাখিছে। সামাজিক ৰীতি নীতিৰ বিপৰীতে সম্পৰ্ক বজাই ৰাখিবলৈ নোৱাৰো। সাম্প্ৰতিক সময়ত সম্পৰ্ক বোৰ সৰ্বাঙ্গীণ সুন্দৰ কৰি ৰাখিবলৈ ব্যক্তিৰ মন স্বচ্ছ আৰু নিকা হোৱাটো বাঞ্ছনীয়। অগ্ৰণী দৃষ্টিভংগী, উদাৰ মনোভাৱ, প্ৰণালীবদ্ধতাৰে ব্যক্তিগৰাকী যেতিয়া প্ৰতিটো সম্পৰ্কৰ মৰ্য্যদা দিয়ে তেতিয়া ব্যক্তিগৰাকী সমাজৰ পথ প্ৰদৰ্শক হৈ পৰে। এজন বা এগৰাকী মানুহৰ জীৱন নিৰ্বাহ পদ্ধতি সম্পৰ্কৰ আওতালৈ লক্ষ্য কৰি হে সামাজিক জীৱন জাপন নিৰুপণ কৰা হয়। প্ৰতিটো সম্পৰ্কই সমাজিক বান্ধোনেৰে বন্ধা থাকে । কোনো কোনো সময়ত দুৰ্বল আৰ্থিকতাই মানসিক আৰু সামাজিক ভাৱে সম্পৰ্কত প্ৰভাৱ পেলোৱা পৰিলক্ষিত হয়। আৰ্থিক ভাৱে সবল আৰু দুৰ্বল ব্যক্তি সকলৰ মাজত সম্পৰ্ক বজাই ৰাখিবলৈ বৈষম্যতা সৃষ্টি হোৱাৰ লগে লগে পৰিয়ালত অশান্তিৰ সৃষ্টি হয়। বিভিন্ন সম্পৰ্কৰে স্বকীয় বৈশিষ্ট আছে। জন্মৰ পিছ মুহূৰ্তৰ পৰা জীয়াই থকা লৈকে প্ৰতিটো সম্পৰ্ক ভেদে সৌন্দৰ্য বেলেগ বেলেগ ৰূপত প্ৰতিফলিত হোৱা দেখা যায়। বিভিন্ন সম্পৰ্কই হৃদয়ত সাঁচ বহুৱাই আৰু বিভিন্ন সময়ত অভিজ্ঞতাৰে পৰিপক্ক কৰি তোলে সম্পৰ্ক বোৰ চলাই নিবলৈ নিজস্বতাৰ অতি প্ৰয়োজন।

"জীৱ শ্ৰেষ্ঠ মানুহ" কাৰণ আমি শক্তিশালী আৰু মগজু খুটুৱাই কথা কৰ জনো, লাগতিয়াল প্ৰতিটো বস্তু আবিস্কাৰ কৰি পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰলৈ উৰিব পাৰিছোঁ, পানীৰ তল ওপৰ ভ্ৰমি মহাআকাশ পৰ্য্যন্ত গৈ বেলেগ গ্ৰহলৈ মহাকাশ যান পঠিয়াবলৈ সক্ষম হৈছোঁ। আমি বিশ্বব্ৰহ্মাণ্ডত সৃষ্টিৰ বিষয়ে সুত্ৰ উদঘাটন কৰিছোঁ (Big Bang Theory) বুলি জনা যায়। গ্ৰহ- নক্ষত্ৰ বোৰ কেনেকৈ ধ্বংস কৰিব পৰা যায় উলিয়াব পাৰিছো (কৃষ্ণ গহ্বৰ Black Hole) আমি আমাৰ গোটেই বিশ্বব্ৰহ্মাণ্ড আমাৰ জেপত ৰাখি মাত্ৰ

(আঠপৃষ্ঠাত চাওক)



অসম চৰকাৰ

খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ

## খাদ্য সুৰক্ষা সুনিশ্চিতকৰণৰ চৰকাৰৰ অভিনৱ জনমুখী প্ৰয়াস

ছেপ্টেম্বৰ- ২০২৪ত

# অন্ন সেৱা দিন

১-১০ ছেপ্টেম্বৰ ২০২৪

এই বিশেষ দিনকেইটাত

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত

প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনাৰ হিতাধিকাৰীৰ বাবে

৩৫ কিঃগ্ৰাঃ চাউল — অন্ত্যোদয়া অন্ন যোজনা(AAY)ৰ প্ৰতিমাহে, প্ৰতি পৰিয়াললৈ

৫ কিঃগ্ৰাঃ চাউল — অগ্ৰাধিকাৰপ্ৰাপ্ত পৰিয়াল(PHH)ৰ প্ৰতিমাহে, প্ৰত্যেকজনী হিতাধিকাৰীলৈ

প্ৰদান কৰা হ'ব

মুঠ পৰিয়াল ৬৬,৮৬,৮৪৫টা

মুঠ হিতাধিকাৰী ২,৩১,৯৭,৬০৮গৰাকী

কোনো হিতাধিকাৰীয়ে সঠিক পৰিমাণৰ চাউল নাপালে

১৮০০-৩৪৫-৩৬১১ | ১৯৬৭ টোল ফ্ৰী নম্বৰত পুৱা ৯:০০ বজাৰ পৰা সন্ধিয়া ৬:০০ বজালৈ যোগাযোগ কৰিব পাৰিব



## গ্ৰাহকলৈ আমাৰ আহ্বান

- এই বিশেষ দিনকেইটাত সুলভ মূল্যৰ দোকানৰ পৰা বিনামূলীয়া চাউল সংগ্ৰহ কৰক
- লাভ কৰা চাউলৰ বিপৰীতে e-Pos মেচিন সৃষ্ট ৰচিদ সংগ্ৰহ কৰক

## সুলভ মূল্যৰ দোকানীৰ কৰণীয়

- অন্ন সেৱা দিন সম্পৰ্কে ব্যাপক প্ৰচাৰেৰে হিতাধিকাৰীসকলক বাধ্যতামূলকভাৱে অৱগত কৰোৱা
- অন্ন সেৱা দিনৰ প্ৰতিটো দিনত দিনজোৰাকৈ দোকান খোলা ৰখা
- হিতাধিকাৰীসকলৰ প্ৰাপ্য চাউল 'অন্ন সেৱা দিন'ত সম্পূৰ্ণ বিতৰণ সুনিশ্চিত কৰা
- হিতাধিকাৰীয়ে লাভ কৰা চাউলৰ বিপৰীতে e-Pos মেচিনৰ ৰচিদ (Receipt) প্ৰদান কৰা

JANASANYOG-1424/24/8-Sept-24

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি হোৱাটছএপ কৰক

# মানুহৰ সংস্কাৰবোৰৰ জৰিয়তেহে এখন অপৰাধ মুক্ত সংসাৰ বা দেশ গঢ়ি তুলিব পাৰি




**চন্দ্ৰ শেখৰ পৰাজুলী, বিশ্বনাথ চাৰিআলি**

স্বামী বিবেকানন্দক ইংৰাজে প্ৰশ্ন কৰিছিলে। ভাৰতীয় নাৰীয়ে কিয় হাত নিমিলাই। এইটোতো কোনো বেয়া কাম নহয় ? তেতিয়া স্বামী বিবেকানন্দই ইংৰাজক ওভতি ধৰি প্ৰশ্ন কৰিলে যে, আপোনাৰ দেশৰ সৰ্ব সাধাৰণ ব্যক্তিৰ লগত আপোনালোকৰ মহাৰাণীয়ে হাত মিলাই নে কেতিয়াবা? তেতিয়া তাৰ উত্তৰ দি ইংৰাজে কলে, কেতিয়াও হাত নিমিলাই। তাৰ পিছত নিজ দেশৰ ওপৰত বহু গৰ্ব কৰি স্বামী বিবেকানন্দই কৈছিল যে, আমাৰ দেশৰ প্ৰতিগৰাকী নাৰীয়ে মহাৰাণী হয়। হয়তো এসময়ৰ ভাৰতৰ মানচিত্ৰ খনি উপৰোক্ত স্বামী বিবেকানন্দ আৰু ইংৰাজ সকলৰ মাজত হোৱা বাৰ্তালাপৰ জৰিয়তে বুজিবলৈ সক্ষম হৈছে নহয় জানোঁ ? এতিয়া কথা হল বৰ্তমান সময়ত আজি কালিৰ ভিতৰতেই কলিকতাৰ মাজত সংগঠিত হৈ যোৱা ৩১ বছৰীয়া ডক্টৰ মৌমিতা দেবনাথক ধৰ্ষণৰ পিছত মৃত্যুৰ কৰাৰ দৰে জঘন্য আৰু গোটেই ৰাষ্ট্ৰৰ বাবে নিন্দনিয় কাণ্ডবোৰ একেবাৰে সঘনাই প্ৰতিটো ৰাজ্যতে সংঘটিত হোৱা কিয় পৰিলক্ষিত হৈছে। মানুহে বৰ্তমান সময়ত আবেগিক চিন্তাধাৰাৰ জৰিয়তে বিভিন্ন মানুহে বিভিন্ন ধৰণৰ মতামত আৰু সমাধান বা বিচৰা দিবলৈ অগ্ৰসৰ হোৱা দেখা যায়। কোনোবাই কয় ধৰ্ষণকাৰিক নগ্ন কৰি ৰাজহুৱাভাৱে মৃত্যুদন্দ দিব লাগে। আকৌ কোনোবাই কয় নহয় গুলিয়াই মাৰিব লাগে। আনহাতে কিছুমান বুদ্ধিজিবিৰ মতে ফাঁচী কাঠত ওলমাই দিব লাগিব। কিন্তু বৰ্তমান সময়লৈকে কিমান যে ধৰ্ষণৰ কাণ্ডৰ ওপৰত কাণ্ড হৈ গৈছে তাৰে মাজ পৰা প্ৰকৃত অৰ্থত উচিত সমাধান উলাই আহিছেনে ? অৰ্থাৎ যিখন দেশ বা ৰাজ্যৰ দিন প্ৰতিদিনে নিজ নিজ ধৰ্ম, সংস্কাৰ, সংকৃতিৰ পতনৰ দিশে আগুৱাই যাবলৈ ধৰিছে সেই দেশৰ বা সেই ৰাজ্যৰ মানচিত্ৰবোৰ সলনি হোৱাৰ আশাত চৰকাৰৰ আগত দায়িত্ববোৰ জাপি দিয়াটো একেবাৰে ভুল ধাৰণা। কাৰণ সৰ্বপ্ৰথমতে উল্লেখ কৰিছোঁ যে, মানুহৰ সংস্কাৰবোৰৰ জৰিয়তেহে এখন অপৰাধ মুক্ত সংসাৰ বা দেশ গঢ়ি তুলিব পাৰি । আমি বৰ্তমানে আধ্যাত্মিক ধৰ্ম গ্ৰন্থবোৰত আৰু কেৱল মানুহৰ মুখে মুখেহে এখন গৌৰৱময় ইতিহাস সমাহিত দেশ। কাৰণ বৰ্তমান সময়ত বিশ্বৰ অন্যান্য দেশৰ তুলনামূলকভাৱে কেৱল ভাৰতবৰ্ষতে নাৰীৰ নগ্নতাক বা নাৰীৰ দেহৰ আবৰন উলংগ কৰি পেলোৱা নাই। কিয়নো আমাৰ ধৰ্ম, সভ্যতা, সংস্কৃতিয়ে নাৰীক সদায় পুজিত ৰূপত চাবলৈ শিক্ষা প্ৰদান কৰি আহিছে। কিন্তু বিদেশত নাৰীৰ দেহা উলংগ হৈয়ো যদি সুৰক্ষিত আছে তেন্তে ভাৰততে ইয়াৰ সম্পূৰ্ণৰূপে বিপৰীত কিয় ? আচলতে আমাৰ ভাৰতৰ মানুহৰ কেৱল মুখে মুখে আৰু আমাৰ আধ্যাত্মিক ধৰ্মগ্ৰন্থবোৰতে ভাৰতীয় সংস্কাৰবোৰ বিকাশত বা বিয়পি পৰিছে। আৰু যেতিয়ালৈকে আমাৰ সংকৃতি, সংস্কাৰ, সভ্যতা কেৱল মৌখিক ৰূপত ব্যৱহাৰৰ হৈ থাকিব ঠিক তেতিয়ালৈকে ভাৰতৰ মানচিত্ৰ সলনি কৰাটো কোনো এজন ব্যক্তিৰ পক্ষে সম্ভৱপৰ হৈ নুঠিব। কবলৈ বহু মন যায় যে, শুনা শুনা ভাই, অতীতৰ ৰামৰ ৰাজ্য আৰু নাই। কাৰণ এই দেশত এতিয়া ৰামৰ জন্ম হলেই অগণন ৰাৱণৰ দ্বাৰা ওলোটাই ৰামক বধ কৰি দিয়া যায়।

## ৰ'দৰ উত্তাপ

**বিশ্বজিৎ বৈশ্য,শুৱালকুছি, বংশৰ**



সাধাৰণতে আমি প্ৰসৰ ৰ'দ দেখিলে বাহিৰলৈ যাবলৈ থমকি ৰব লগা হয়। কিন্তু প্ৰসৰ ৰ'দকো নেওচি দৈনন্দিন জীৱনত আমাৰ কাম-কাজবোৰ সমানে চলি থাকে। কোনোবাই যদি গছৰ তলত কোনোবাই আকৌ শীত তাপ নিয়ন্ত্ৰিত কোঠাত। ৰ'দৰ প্ৰকোপ বৃদ্ধি হলে আমি আমাৰ নিজৰ শৰীৰটো চেচা কৰিবলৈ যত্ন কৰো। শীতল পানীয়ৰ দ্বাৰা হওক লাগিলে, অন্য চেচা জাতীয় বস্তু আমি সততে খোৱাৰ বাবে চেষ্টা কৰো। পুৱা বেঁলি ওলোৱাৰ পৰা মাৰ যোৱালৈ ৰ'দৰ যি প্ৰকোপ তাৰ সমান্তৰাল ভাৱে কিন্তু বৰষুণৰো প্ৰভাৱ দেখা যায়। গতিকে এই যি প্ৰকৃতিৰ নিয়ম তাক আমি কেতিয়াও নস্যাৎ কৰিব নোৱাৰো। ঠাণ্ডাৰ দিনত ৰ'দ দেখিলে আমি আগুৱাই যাও আৰু গৰমৰ দিনত পিছুৱাই আহো। ঠাণ্ডাৰ দিনবোৰত কাচিয়লি ৰ'দে আমাক শৰীৰৰ উত্তাপ বৃদ্ধি কৰাত সহায় কৰে। গৰমৰ দিনবোৰত কিন্তু ই পৃথক। ৰ'দৰ উত্তাপৰ মাজতে জন্তু বিলাকেও নদী বা পুখুৰীত গৈ জলকেলি কৰা দেখা যায়। সিহতবোৰো অসহ্য হৈ পৰি এটা সময়ত পানীতে শুই পৰে। আচলতে সকলোৱে নিজ নিজ স্থানত গৈ নিজৰ যি দায়িত্ব পালন কৰা দেখা যায়।

## সম্পৰ্কৰ সৌন্দৰ্য

কেইটামান বুটাম চুই দিলেই বিশ্বৰ যিকোনো ঠাইৰ ব্যক্তিৰ লগত সংযোগ ৰাখিব পাৰো । ইমানৰ পিছতো কেতিয়াবা মনলৈ প্ৰশ্ন জাগে সচাঁ কৈ আমি জীৱ শ্ৰেষ্ঠ হয় নে ?

আমাৰ মস্তিষ্কৰ ইমান খিনি বিকাশ হোৱাৰ পিছতো সম্পৰ্ক বোৰ ঘূণে ধৰে। উচ্চ শিক্ষাৰে শিক্ষিত সন্তানেও নিজ পিতৃ-মাতৃ গৰাকীক বোজা জ্ঞান কৰি অচিনাকী ঠাইত অকলশৰে এৰি অহাকে ধৰি সন্তানৰ অত্যাচাৰৰ বলি হোৱা মাতৃ-পিতৃৰ বাতৰি প্ৰতিদিনেই শিৰোনামা দখল কৰা পৰিলক্ষিত হয়। বাইদেউ, ভগ্নী সম ছোৱালী, শিক্ষাৰ্থী, লগতে মাতৃ, আইতা সম বৃদ্ধা পৰ্যন্ত ধৰ্ষণৰ বলি হৈছে। কোনোবা স্ত্ৰীয়ে আকৌ স্বামী, পুত্ৰৰ হত্যাৰ দৰে অপৰাধতো লিপ্ত হোৱা দেখা যায়। বিবাহৰ পিছত মাতৃৰ ঘৰখন ছোৱালীজনীৰ বাবে অচিনাকী হৈ পৰে । ভাতৃ - ভগ্নী, ভাই- ভাইৰ চিনাকী নোহোৱা হয় । বিভিন্ন সময়ত সম্পৰ্কৰ বান্ধোন চিৰা-চিৰ হৈ পৰা দেখা যায়। সেই বোৰ সম্পৰ্ক সমাজৰ বোজা স্বৰূপ হৈ পৰে। মানুহৰ মনো বৰ জটিল আৰু বিস্ময়কৰ কেতিয়াবা নিজৰ লাভৰ বাবে বা হিংসাৰ কাৰণে হৃদয়েৰে গঢ়া সু- সম্পৰ্ককো প্ৰয়োজন অনুযায়ী ভাগি দিব পাৰে। আকৌ কোনো কোনো সময়ত তেজৰ সম্পৰ্ক নথকাকৈও চিনাকী সম্পৰ্ক বোৰে জীৱনত বেছি ৰেখা পাত কৰে। তেওঁলোকৰ মৰম স্নেহ আৰু সহায়ে চিৰ দিনলৈ মনত অফুৰন্ত শক্তি আৰু সাহস দিয়াৰ ওপৰিও বিশ্বাসৰ জন্ম দিয়ে।

সম্পৰ্ক বোৰ সৰ্বাঙ্গীণ সুন্দৰ কৰিবলৈ আপুনি যেনে ধৰণৰ চিন্তা কৰিব ঠিক তেনেকুৱা ফল লাভ কৰে। সেয়ে যেতিয়া কাৰোবাক অভিশাপ দিয়া হয় তেতিয়া বুমেৰাং হৈ নিজৰ ফালেই ঘুৰি আহে, আৰু কাৰোবাক আশীৰ্বাদ দিলে তেতিয়া আপোনা-আপোনি সেই আশীৰ্বাদ নিজৰ ফালেই বৰ্ষিত হ'ব। সেয়ে "থমাছ হাৰ্ডিয়ে কোৱাৰ দৰে নেতিবাচক আবেগ বোৰক নিয়ন্ত্ৰণ নকৰিলে সেইবোৰে বিপথে পৰিচালিত কৰাৰ সম্ভৱনা থাকে"। সেয়ে গঠন মূলক চিন্তাৰে আত্মোপলব্ধি কৰি সম্পৰ্ক বোৰ চিৰ সেউজ কৰি ৰাখিবলৈ যত্ন কৰিব লাগে। কাৰণ মনৰ নিভৃত কোনৰ পৰা উৎপত্তি হোৱা কিছুমান সম্পৰ্কই ইতিহাস ৰচনা কৰা দেখা যায়। শ্ৰীকৃষ্ণ আৰু অৰ্জুন যি সম্পৰ্ক, গান্ধাৰীয়ে স্বামীৰ লগত কটোৱা সম্পৰ্কৰ ওপৰিও জয়মতী - গদাপানি, দুৰ্য্যোধণ আৰু কৰ্ণৰ মাজৰ সম্পৰ্ক, এইদৰে নানা সম্পৰ্কই ইতিহাস ৰচনা কৰিছে এইবোৰৰ ওপৰিও ৰামায়ণৰ কৈকেয়ী আৰু মন্থৰাৰ সম্পৰ্ক, ৰাম লক্ষণৰ সম্পৰ্ক ইত্যাদি নানা সম্পৰ্কৰ সৌন্দৰ্য্য পৃথিৱীৰ ইতিহাসত বিৰল।

বৰ্তমান সময়ত সম্পৰ্ক বোৰ বৰ ঠুনুকা যেন অনুভৱ হয় বিভিন্ন কাৰণত যেন সম্পৰ্কৰ এনাজৰী দাল আধাতে চিঙি থাকে। মোবাইলৰ লগত হে বেছি সম্পৰ্ক গঢ়ি উঠা দেখিবলৈ পাওঁ তেনে ক্ষেত্ৰত আমি অভিভাৱক সকলে নতুন প্ৰজন্মক সম্পৰ্কৰে গঢ়া হৃদয়ৰ মাদকতা অনুভৱ কৰোৱাৰ প্ৰয়োজনীয়তা আহি পৰিছে। প্ৰত্যেক জন ব্যক্তিয়ে বিভিন্ন কাৰণত ব্যক্তি কেন্দ্ৰিক হৈ পৰাত যৌথ পৰিয়ালৰ অভাৱেও সম্পৰ্কৰ এনাজৰী ডালেক শিথিল কৰা দেখা যায়।

শেষত জীৱ শ্ৰেষ্ঠ মানৱ হিচাপে আমি আমাৰ প্ৰতিটো সম্পৰ্কৰে মৰ্যাদা অক্ষুন্ন ৰাখি নিয়াৰিকৈ চলাই নিব পৰাটো আমাৰ জীৱন নিৰ্বাহৰ দক্ষতাৰ পৰিচয় দাঙি ধৰে। এক কথাত কবলৈ গলে যেনেকৈ ডাকৰ বচন "বিশ্বাসে মিলয় হৰি" ঠিক তেনেদৰে আমাৰ সম্পৰ্ক বোৰত বিশ্বাসে আদি মূল ।

# আধুনিক যুগৰ অভিশাপ জলবায়ু পৰিবৰ্তন



**বন্দিতা শৰ্মা কন্দলি**

বিজ্ঞানৰ অগ্ৰগতিয়ে আধুনিক যুগৰ সূচনা কৰিলে। আধুনিক যুগত মানুহে আধুনিকতাৰ কবলত পৰি অত্যাধুনিকৰ ফালে গতি কৰিবলৈ ধৰিলে। যাৰ ফলত মানুহে প্ৰকৃতিৰ লগত নিজকে খাপ খুৱাই লোৱাতকৈ প্ৰকৃতিৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰিবলৈ ধৰিলে। প্ৰকৃতিৰ উপাদান সমূহ যেনে গছ- গছনি, জীৱ-জন্তু, চৰাই- চিৰিকতি, নদ-নদী, অৰণ্য আদি প্ৰত্যেকেই প্ৰত্যেকৰ ওপৰত নিৰ্ভৰশীল। প্ৰকৃতিয়ে এই উপাদানসমূহৰ লগত ভাৰসাম্য ৰক্ষা কৰি চলি আহিছে। কোনো কাৰকে যদি এই উপাদানসমূহৰ যেইকোনো এবিধৰ ওপৰত প্ৰভাৱ পেলাই তেন্তে গোটেই পৰিস্থিতিতন্ত্ৰৰ ভাৰসাম্য বিনষ্ট হ'ব। প্ৰকৃতিৰ উপাদান সমূহৰ ওপৰত প্ৰভাৱ পেলাব পৰা সামৰ্থ্য কেৱল জীৱ শ্ৰেষ্ঠ মানুহৰ হে আছে। আন প্ৰাণীৰ এনে সামৰ্থ্য নাই। যান্ত্ৰিক যুগত মানুহে নিজৰ সুবিধাৰ্থে হওঁক বা ভোগ বিলাসৰ বাবেই হওঁক প্ৰকৃতিৰ সম্পদ সমূহৰ অপব্যৱহাৰ কৰিবলৈ ধৰিলে।

অন্ধ বিশ্বাসৰ বলি হৈয়ো মানুহে ধ্বংস কৰিবলৈ লৈছিল অনেক মূল্যবান গছ, মূল্যবান প্ৰাণী। উদ্যোগ স্থাপনৰ নামত হনন কৰিছিল অৰণ্য ৰাজি; সমান্তৰালকৈ কল- কাৰখানাৰ ধোঁৱাৰে প্ৰদূষিত কৰি আহিছে বায়ুমণ্ডল। তাৰ পৰা নিৰ্গত হোৱা জুলীয়া আৱৰ্জনাই পানী আৰু মাটিকো প্ৰদূষিত নকৰাকৈ থকা নাই। মানুহ জ্ঞানী হৈ মূৰ্খৰ দৰে কাম কৰি অৰ্থাৎ প্ৰকৃতিৰ ওপৰত অত্যাচাৰ চলাই সমগ্ৰ মানৱ জাতিৰ বিপদ মাতি আনিছে। প্ৰকৃতিৰ উপাদান সমূহৰ ভাৰসাম্যতাৰ তাৰতম্যৰ বাবে সৃষ্টি হোৱা মহা বিপদ টোৱেই হৈছে জলবায়ু পৰিবৰ্তন।

জলবায়ুৰ অপ্ৰত্যাশিত আৰু অনাকাংক্ষিত পৰিবৰ্তন বৰ্তমান আমি প্ৰত্যক্ষ কৰিছোঁ। সেয়ে ২০২৪ চনৰ মে' মাহতে অসমত বায়ুমণ্ডলৰ উষ্ণতা ৪০°-৪২° পৰ্যন্ত হোৱা দেখা গৈছিল। জলবায়ুৰ এনে পৰিবৰ্তন হঠাতে হোৱা নাই। ৩০-৩৫ বছৰ ধৰি বায়ুমণ্ডলৰ অৱস্থাৰ সাল-সলনিয়ে জলবায়ুৰ পৰিৱৰ্তন বুজায়। আমি ১৯৮০ চনলৈ উভতি চালে দেখা পাম তেতিয়াৰ বায়ুমণ্ডলৰ যি উষ্ণতা আছিল বৰ্তমান পৃথিৱীৰ সেই গড় উষ্ণতা ৫ ডিগ্ৰী চেলচিয়াছ বৃদ্ধি পাইছে। এনেদৰে পৃথিৱীৰ গড় উষ্ণতা বৃদ্ধি পাই থাকিলে জীৱজগত বাচি থকাতো অসম্ভৱ হৈ পৰিব। অধিক উষ্ণতাৰ ফলত মেৰু অঞ্চলৰ বৰফৰ পৰিমাণ কমি আহিছে আৰু সমুদ্ৰ পৃষ্ঠৰ জলৰাশি উৰ্ধগামী হোৱা পৰিলক্ষিত হৈছে। এতিয়াৰ পৰা প্ৰায় ২৫-৩০ বছৰৰ আগৰ ধুমুহা বতাহ, বা-মাৰলী, ঘূৰ্ণি বতাহ আদি প্ৰাকৃতিক দুৰ্যোগ সমূহৰ শক্তি আৰু বিনস্তকাৰী ক্ষমতা তুলনামূলকভাৱে কম আছিল। এই সকলো জলবায়ু পৰিবৰ্তনৰ ফল।

জলবায়ু পৰিবৰ্তনৰ কাৰণ সমূহৰ ভিতৰত জীৱাশ্ম ইন্ধনৰ দহনৰ ফলত হোৱা সেউজ গৃহ পৰিঘটনা, অৰণ্য ধ্বংস কৰা, বাট পথ বহলোৱাৰ নামত শ শ বছৰীয়া গছ কটা, প্লাষ্টিক পুৰিলে প্লাষ্টিকে বায়ুমণ্ডললৈ এৰি দিয়া বিষাক্ত ধোঁৱা, ১১ বছৰীয়া চক্ৰৰ চৌম্বকীয় সৌৰকলংক আদি।

শক্তিৰ উৎস হিচাপে ব্যৱহাৰ কৰা জীৱাশ্ম ইন্ধনবোৰ হৈছে মৃত উদ্ভিদ আৰু প্ৰাণীদেহৰ অৱশিষ্ট সমূহ শ শ বছৰ জুৰি জমা হৈ বায়ুমণ্ডলৰ তাপ চাপ আদিৰ প্ৰভাৱত স্বাভাৱিক ভাৱে সৃষ্টি হোৱা পদাৰ্থ।

জীৱাশ্ম ইন্ধন যেনে কয়লা, খনিজ তেল, প্ৰাকৃতিক গেছ আদি দহনৰ ফলত বায়ুমণ্ডলত কাৰ্বন ডাই অক্সাইড, কাৰ্বন মন অক্সাইড, মিথেইন, ক্লৰ'ফ্লুৰ' কাৰ্বন, জলীয় বাষ্প, ছালফাৰ ডাই অক্সাইড, নাইট্ৰাচ অক্সাইড আদি বিয়পি পৰে। এই গেছ সমূহে সূৰ্যৰ পোহৰ তললৈ আহিবলৈ দিয়ে, কিন্তু পৃথিৱীৰ পৰা নিৰ্গত হোৱা বিকীৰণ ধৰি ৰাখি বায়ুৰ উত্তাপ বৃদ্ধি কৰি পৃথিৱীখন জীৱৰ বাসোপযোগী কৰি তুলিছে। অৰ্থাৎ পৃথিৱী পৃষ্ঠৰ পৰা সৌৰশক্তি উদ্ভিদৰ সালোক- সংশ্লেষণত ব্যৱহাৰ হয় আৰু বাকী অংশ অৱলোহিত ৰশ্মি ৰূপে মহাকাশলৈ ঘূৰি যায় । ঘূৰি যোৱা ৰশ্মিৰ কিছু অংশ সেউজ গৃহ গেছে শোষণ কৰি কেউদিশে বিয়পাই দিয়ে। এনেদৰেই সেউজ গৃহ গেছে এখন চন্দ্ৰতাপৰ দৰে তাপ খিনি আৱদ্ধ কৰি ৰাখি পৃথিৱী পৃষ্ঠক অতি শীতলৰ পৰা ৰক্ষা কৰি আহিছে। এই প্ৰক্ৰিয়াটোৱেই হৈছে সেউজ গৃহ পৰিঘটনা। বৰ্তমান জীৱাশ্ম ইন্ধনৰ দহন বৃদ্ধি পোৱাৰ লগে লগে সেউজ গৃহ গেছসমূহৰ পৰিমাণ বাঢ়ি গৈছে। ফলস্বৰূপে অধিক তাপ শোষণ কৰি বায়ুমণ্ডল উষ্ণ কৰি তুলিছে। এই পৰিঘটনাৰ বাবে জলবায়ুৰ পৰিবৰ্তন হৈছে। জলবায়ু পৰিবৰ্তনৰ ফলত বায়ুমণ্ডলৰ উষ্ণতা অস্বাভাৱিক ভাবে বৃদ্ধি পায় আৰু অস্বাভাৱিক ভাবে কমেও। তাৰোপৰি অতিবৃষ্টি, বানপানী, খৰাং আদিৰ দৰে অস্বাভাৱিক পৰিবৰ্তন দেখা যায়।

আকৌ বায়ুমণ্ডলত বিয়পি থকা ধোঁৱা -ছাইৰ কণিকা আৰু ধূলিবোৰে অধিক মেঘৰ সৃষ্টি কৰে যদিও বৰষুণ হোৱাত বাধা দিয়ে। গছ গছনি কটাৰ ফলত সৃষ্টি হোৱা অত্যধিক ধূলিয়েও মেঘ সৃষ্টিত বাধা দিয়ে। গছ গছনি কমি যোৱাৰ বাবে বায়ুমণ্ডলত অক্সিজেনৰ পৰিমাণ কমি যোৱাৰ লগতে কাৰ্বন ডাই অক্সাইডৰ পৰিমাণ বাঢ়ি যাবলৈ ধৰিছে। ফলস্বৰূপে গোলকীয় উষ্ণতা বৃদ্ধি পাইছে।

সৌৰ কলংকৰ সংখ্যা যিমানেই বেছি হয় সিমানেই বেছি হয় সূৰ্যৰ বিকিৰণ শক্তি। চৌম্বকীয় সৌৰকলংকৰ এঘাৰ বছৰীয়া চক্ৰৰ পৰ্যায় কালত পৃথিৱীয়ে সূৰ্যৰ পৰা অধিক উত্তাপ পায় বাবেও জলবায়ুৰ পৰিবৰ্তন ঘটে। উদাহৰণ স্বৰূপে ১৯৮০ চনত আৰম্ভ হোৱা চৌম্বকীয় সৌৰকলংকৰ এঘাৰ বছৰীয়া চক্ৰৰ পূৰ্ণ বিকাশ ঘটিছিল ১৯৯১ চনত। ১৯৮০ চনতকৈ ১৯৯১ চনত পৃথিৱীয়ে সূৰ্যৰ পৰা অধিক উত্তাপ পাই গোলকীয় উষ্ণতা বৃদ্ধিত সহায় কৰিছে। ক্ৰমে ১৯৯১ চনৰ পৰা ১১ বছৰীয়া

*(বাৰপৃষ্ঠাত চাওক)*

# সান্দোলিত হৃদয়

**মৈত্ৰেয়ী পূজাৰী,গোলাঘাট টাউন**



দুখবোৰে গীত জোৰোতে  
আঁকি লয় সুখৰ আভা!  
ইও জানে  
তাৰ সীমনাৰ ৰহঘৰাত থকা  
নিপোটল স্বৰ্ণিল গাঁথা  
কোনে জানে আজিৰ এতিয়া টো  
কালিলৈ হ'ব পাৰে বিৱৰ্তনৰ ছাঁয়া!  
দোলায়িত বেহেলাৰ বোৱতী সুৰে!  
সুসজ্জিত কৰি ৰাখে  
আহ্লাদিত হৃদয়ৰ অবিনাশী ৰেখা  
আবেলিৰ ৰামধেনুৰ সপোন বেথাই  
নোৰাই ধুৱাই তোলে  
জীৱন বৰপেৰাৰ প্ৰাত্যহিকতা  
সেয়েহে আজিও  
ঝংকৃত হৃদয়ত বয়!  
চিৰবসন্তৰ মাদকতা!!  
দুখবোৰে গীত জোৰোতে  
আঁকি লয় সুখৰ আভা।

# তোমাৰ কথাত

**মৃগাংক বৰুৱা,বনগাঁও, (কছাৰীহাট)গোলাঘাট**



তুমি..  
শীতৰ কথা ক'লা  
মই...  
শেৱালী হৈ ফুলিলোঁ  
ফুলি ফুলি  
নিয়ৰ সনা দুবৰিত  
শুভ্ৰতা সিছিলোঁ  
তুমি বুটলি বুটলি  
আচল ভৰাই ল'বা বুলি...

# জনসংখ্যাতকৈ অধিক আধাৰ

শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰে ৯ লাখ ৫৫ হাজাৰ লোকৰ বন্ধ হৈ থকা আধাৰ মুকলি কৰি দিয়াৰ বাবে যি সিদ্ধান্ত গ্ৰহণ কৰিছে, সেই অনুসৰি সেইসকল লোকে আধাৰ লাভ কৰিব। কিন্তু এতিয়াৰে পৰা যিকোনো প্ৰাপ্তবয়স্ক লোকে আধাৰৰ বাবে আবেদন কৰিলে তেওঁলোকক পুংখানুপুংখভাৱে পৰীক্ষা কৰা হ'ব। কাৰ্যতঃ এক অক্টোবৰৰ পৰা আধাৰ লাভ কৰাটো কঠোৰ পৰীক্ষাৰ মাজেৰে যাব লাগিব। অৱশ্যে এইক্ষেত্ৰত চাহ বাগিচা অঞ্চলক বাদ দি ৰাজ্য চৰকাৰে কঠোৰ হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়- যিসকল লোকে এনআৰচিত আবেদন কৰা নাই, তেওঁলোকে হয়তো ২০১৪ চনৰ পিছত অসমলৈ আহিছে। এন আৰ চি ত যদি আবেদনেই কৰা নাই তেনেহ'লে তেওঁলোকক আধাৰৰ প্ৰয়োজন কি? দৰাচলতে আধাৰ সংগ্ৰহ কৰিয়েই বহু অনুপ্ৰৱেশকাৰীয়ে নাগৰিকত্বৰ বাবে তথ্য সংগ্ৰহ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰে। সেয়েহে এইক্ষেত্ৰত অধিক কঠোৰ হৈছে চৰকাৰ। অহা ১০ দিনৰ ভিতৰত আধাৰৰ বাবে ৰাজ্য চৰকাৰে প্ৰস্তুত কৰিব এছঅ'পি। মুখ্যমন্ত্ৰীয়ে ইয়াকো স্পষ্ট কৰে যে যি ৯ লাখ ৫৫ হাজাৰ আধাৰ কাৰ্ড বন্ধ হৈ আছে, সেইসমূহ মুকলি কৰি দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে নিৰ্দেশ দিছে। অহা দুই-এদিনৰ ভিতৰতে ইউআইডিএআইএ নিৰ্দেশনা প্ৰদান কৰিব। আবেদনকাৰীয়ে বন্ধ হৈ থকা আধাৰসমূহ অহা ছেপ্টেম্বৰ মাহৰ ভিতৰতে লাভ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে যে যদি কোনো লোকে এনআৰচিত আবেদন কৰা নাছিল, তেন্তে এতিয়াৰে পৰা অসমত আধাৰ নাপাব। এনআৰচিত নাম থকা-নথকা বেলেগ কথা, কিন্তু এনআৰচিত আবেদনকাৰী হ'ব লাগিব। ১ অক্টোবৰৰ পিছত আধাৰ ল'ব লাগিলে এনআৰচিত আবেদনৰ নম্বৰ গাঁঠি দিব লাগিব। অৰ্থাৎ আবেদন কৰাৰ প্ৰমাণ দিব লাগিব। মন কৰিবলগীয়া যে যোৱা সময়ছোৱাত ৰাজ্যৰ বিভিন্ন প্ৰান্তত গ্ৰেপ্তাৰ হোৱা বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ পৰা জব্দ হৈছিল আধাৰ কাৰ্ড। এহাজাৰ টকাৰ বিনিময়তে দালাল চক্ৰই বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ হাতত তুলি দিছিল আধাৰ কাৰ্ড। স্বাভাৱিকতে আধাৰ কাৰ্ড হাতত লৈয়েই বহু সন্দেহযুক্ত বাংলাদেশীয়ে অসমৰ মাজেৰে চেন্নাই, বেংগালুৰু আদিলৈ কামৰ বাবে যায়। মুখ্যতঃ এই বিষয়টোক লক্ষ্য কৰিয়েই এইবাৰ আধাৰৰ ক্ষেত্ৰত অধিক কঠোৰ হৈছে ৰাজ্য চৰকাৰ। নতুনকৈ জাৰি কৰিবলগীয়া এছঅ'পি অনুসৰিয়েই আধাৰৰ বাবে আবেদন কৰিব লাগিব আবেদনকাৰীয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে স্পষ্ট কৰে যে ভাৰত চৰকাৰে এই অধিকাৰো দিছে যে ৰাজ্য চৰকাৰে বিচাৰিলেহে আধাৰ লাভ কৰিব পাৰিব। অসমত আধাৰৰ ক্ষেত্ৰত এই কঠোৰ ব্যৱস্থা বলবৎ হ'লে পৰৱৰ্তী সময়ত আন আন ৰাজ্যতো একেই কঠোৰ পদক্ষেপ গ্ৰহণ কৰিলে সন্দেহযুক্ত লোকে আধাৰ লাভ কৰিব নোৱাৰিব।

# দৰঙত ৬৩ সংখ্যক শিক্ষক

বক্তাৰূপে ভাষণ প্ৰদান কৰি খাৰুপেটীয়া মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° বুদ্ধিন চন্দ্ৰ হাজৰিকাই ৫ চেপ্তেম্বৰ দিনটো শিক্ষকসকলৰ দিন বুলি অভিহিত কৰি শিক্ষক দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। তেওঁ মহান দাৰ্শনিক ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জীৱনৰ বিষয়ে কয় আৰু তেওঁৰ আদৰ্শৰে অনুপ্ৰাণিত হ'ব লাগে বুলি আলোকপাত কৰে। সভাত উদ্বোধনী ভাষণ প্ৰদান কৰি জিলা আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেয়ে আমাৰ সমাজত গুৰু শিষ্যৰ পৰম্পৰা, আৰু ইয়াৰ প্ৰয়োজনীয়তাৰ ওপৰত কয়। তেওঁ শিক্ষকসকলক বৰ্তমান প্ৰযুক্তি বিদ্যাৰ লগত মোকাবিলা কৰিব পৰাকৈ নিজকে গঢ়ি তুলিবলৈ আহ্বান জনায়। অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা জিলা প্ৰাথমিক শিক্ষা বিষয়া চেমিনা ইয়াছমিন আৰা ৰহমানে। অনুষ্ঠানত জিলা খনৰ ৪৭ গৰাকী কৃতী শিক্ষক-শিক্ষয়িত্ৰীক সম্বৰ্ধনা জনোৱা হয়। সভাত জিলা খনৰ বহু সংখ্যক শিক্ষক-শিক্ষয়িত্ৰী, বিদ্যানুৰাগী ব্যক্তি, বিশিষ্ট নাগৰিক, ছাত্ৰ-ছাত্ৰী, জিলা প্ৰশাসন আৰু শিক্ষা বিভাগৰ বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

# সমন্বয় সাহিত্য মঞ্চ, অসমৰ

শ্ৰদ্ধাৰ ইছমাইল হোছেইন ডাঙৰীয়াক "সমন্বয় বঁটা -২০২৩" প্ৰদান কৰা হয়, আৰু প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিশিষ্ট সাহিত্যিক শ্ৰদ্ধাৰ ড° দয়ানন্দ পাঠক ডাঙৰীয়াক "সমন্বয় সাহিত্যৰ জীৱনজোৰা সাধনা বঁটা-২০২৩" প্ৰদান কৰা হয়। বিগত বছৰৰ দৰে এইবেলিও সমন্বয় সাহিত্য মঞ্চ, অসমে ১৯/৯/২০২৪ তাৰিখে গুৱাহাটী প্ৰেছ ক্লাবত মঞ্চৰ তৃতীয় প্ৰতিষ্ঠা দিৱস উদযাপনৰ দিহা কৰিছে। উক্ত অনুষ্ঠানত অসমৰ জাতীয় জীৱনত বিশেষ অৱদান থকা, দুখীয়া মানুহক অসমৰ লগতে অসমৰ বাহিৰত যিকোনো চিকিৎসালয়ত সেৱা আগবঢ়াই অহা, জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে সকলোৰে বিপদৰ সময়ত থিয় দিয়া এজন ব্যক্তি শ্ৰদ্ধাৰ যুগল ভূঞা ডাঙৰীয়াক "সমন্বয় বঁটা- ২০২৪" প্ৰদান কৰাৰ সিদ্ধান্ত লৈছে। আৰু অসমীয়া সাহিত্যৰ লগতে অন্যান্য ভাষাত বিশেষ আধিপত্য থকা, আমৰাংগা বৰিহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ, চৰ চাপৰি সাহিত্য পৰিষদৰ সভাপতি শ্ৰদ্ধাৰ ড° হাফিজ আহমেদ ডাঙৰীয়াক "সমন্বয় সাহিত্যৰ জীৱনজোৰা সাধনা বঁটা-২০২৪" প্ৰদান কৰাৰ সিদ্ধান্ত লোৱা হৈছে বুলি সমন্বয় সাহিত্য মঞ্চ, অসমৰ মুখ্য সম্পাদক- ময়জ উদ্দিন আহমেদ আৰু সভাপতি উষামণি শইকীয়াই আমাক জানিবলৈ দিছে।

# কাৰ্যকৰ্তা সকলৰ জীৱন্ত শক্তিয়ে

পাৰ্টি বুলি ক'লে কোনো পৰিয়ালৰ চিত্ৰ আমাৰ সন্মুখলৈ নাহে, তাৰ পৰিৱৰ্তে বুথ পৰ্যায়ৰ পৰা কাম কৰি প্ৰধানমন্ত্ৰী পদবীলৈকে যাব পৰা তথা নিজকে ৰাষ্ট্ৰৰ হকে উৰ্চগা কৰা ব্যক্তিৰ চিত্ৰ আমাৰ সন্মুখলৈ আহে। বিজেপিৰ প্ৰত্যেকজন ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় সভাপতিয়ে তৃণমূল পৰ্যায়ৰ পৰা ৰাজনৈতিক জীৱন আৰম্ভ কৰিছিল আৰু সমৰ্পণ মনোভাৱেৰে দেশমাতৃৰ হকে কাম কৰি বহুজনে ৰাষ্ট্ৰৰ সৰ্বোচ্চ পদলৈ আগবাঢ়ি যাবলৈ সক্ষম হৈছে। এই দলটোত পিতৃৰ পৰিচয়ৰ প্ৰয়োজন নাই। বিজেপিৰ প্ৰতিগৰাকী সদস্যই ভাৰত মাতৃৰ প্ৰতি একোজন সমৰ্পিত কাৰ্যকৰ্তা। এই বিশেষত্বই দলটোক আজি বিশ্বৰ সৰ্ববৃহৎ ৰাজনৈতিক দললৈ পৰিণত কৰিছে। আনহাতে ৰাজ্যিক সভাপতি ভবেশ কলিতাই কয় যে দলৰ সংবিধান অনুসৰি প্ৰতি ৬ বছৰ মূৰে মূৰে সদস্যতা ভৰ্তি অভিযান অনুষ্ঠিত হৈ আহিছে। সেই অনুসৰি এইবাৰো সমগ্ৰ ৰাষ্ট্ৰৰ লগতে ৰাজ্যিক পৰ্যায়ত এই অভিযান আৰম্ভ হৈছে। অহা ২৫ ছেপ্তেম্বৰৰ পণ্ডিত দীনদয়াল উপাধ্যায়ৰ জন্ম বাৰ্ষিকীলৈকে সমগ্ৰ দেশজুৰি ১০ কোটি সদস্য অন্তৰ্ভুক্তিৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। উল্লেখ্য যে আজিৰে পৰা সমগ্ৰ অসমৰ প্ৰতিটো মণ্ডলতে সদস্যতা ভৰ্তি অভিযান কাৰ্যসূচী আৰম্ভ হয়। ৰাজ্যিকৰ পৰা প্ৰেৰণ কৰা প্ৰতিনিধ সকল উক্ত কাৰ্যক্ৰমত উপস্থিত থাকে।

# ন্যায়িক জিম্মালৈ

জেৰাত সদৰী কৰে। আৰক্ষী সূত্ৰৰ মতে বিশালে আৰক্ষীৰ জেৰাত চুমি বৰাৰ বিষয়ে আন একোৱেই নক'লে। আনকি বিশালৰ মুখৰ পৰা চুমি সম্পৰ্কে কোনো কথাই উলিয়াব নোৱাৰিলে আৰক্ষীয়ে। ইফালে চুমি বৰাৰ প্ৰসংগত আৰক্ষীয়ে চুমিৰ পূৰ্বৰ এগৰাকী বিশেষ বন্ধু, এগৰাকী প্ৰায় লগে-ভাগে থকা বান্ধৱীক থানালৈ মাতি কেই বাবাৰো সোধা-পোছা কৰে। দুদিন পূৰ্বৰ পৰা বিশেষ বন্ধুজনক কেইবাবাৰো সদৰ থানালৈ যোৱা দেখা গৈছিল। ইফালে বান্ধৱীগৰাকীক মাতি অনা হৈছিল। ইয়াৰ লগতে চুমিৰে ঘনিষ্ঠ কেইবাজনো লোকক এই কালছোৱাত সোধা-পোছা কৰা বুলিও গম পোৱা গৈছে। অৱশ্যে এইক্ষেত্ৰত আৰক্ষীয়ে কোনোধৰণৰ তথ্য প্ৰকাশ কৰাৰ পৰা বিৰত আছে।ইফালে আৰক্ষীয়ে বিশালৰ মাকক জেৰালৈ অনা নাই, এই ব্যৱসায়ত মাতৃ জড়িত থকাৰ কোনো তথ্য আৰক্ষীয়ে লাভ কৰা নাই। আনহাতে মাতৃ বয়স্ক হোৱাৰ বাবেও আৰক্ষীয়ে হেঁচা প্ৰয়োগ কৰা নাই। প্ৰয়োজনত হয়তো সোধা- পোছা কৰাৰ সম্ভাৱনা আছে।

# প্ৰয়োজন হ'লে

যে গোচৰটো যথেষ্ট জটিল তেন্তে ততালিকে ইয়াক চিবিআইৰ হাতত অৰ্পণ কৰা হ'ব। ইফালে ট্ৰেডিং প্ৰৱঞ্চনা কৰি পলাই থকা অভিনেত্ৰী চুমি বৰাৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয়- এতিয়ালৈ ধৰা নপৰা বুলি কথা নাই। কালপ্ৰিট পলালেও আৰক্ষীয়ে নিৰ্দিষ্ট এটা সময়ৰ ভিতৰত কৰায়ত্ত কৰিবলৈ সক্ষম হয়। কালপ্ৰিট এতিয়াও ভাৰতৰ বাহিৰলৈ যোৱা নাই। গতিকে ধৰা পৰিবই। কোনোবা যদি পলাইছে ১০ লাখ টকা লৈ, তেন্তে কিছুদিন পিছত হোটেলৰ বিল দিব নোৱাৰি নিজে নিজে আহি আত্মসমৰ্পণ কৰিব। হাতত দুটামান টকা থকা বাবে লুকাই আছে। টকা শেষ হ'লে নিজে নিজে আত্মসমৰ্পণৰ বাবে আৰক্ষীক যোগাযোগ কৰিব।

# আৰক্ষীৰ ওচৰত

ছিদ্দিক আৰু অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ নগাঁও জিলা সমিতিৰ সভাপতি মোছাব্বিৰ আলী আহমেদে কয় যে তেওঁলোকে অভিযুক্তদ্বয়ৰ পৰিয়ালৰ সৈতে যোগাযোগ কৰি গোলাপ উদ্দিনক মৰিগাঁৱৰ পৰা আৰু ফৰিদুল ইছলামক নাগালেণ্ডৰ ডিমাপুৰৰ পৰা আনি নগাঁও জিলা আৰক্ষী অধীক্ষকৰ ওচৰত চমজাই দিছে। সংখ্যালঘু সংগ্ৰাম পৰিষদৰ নেতাদ্বয়ে কয়- আমি অভিযুক্ত দুজনৰ পৰিয়ালৰ লগত যোগাযোগ কৰিছিলোঁ। প্ৰথমে পৰিয়ালৰ লোকে অভিযুক্ত দুজন এনে দুষ্কাৰ্যৰ লগত জড়িত নহয় বুলি কৈছিল। তেতিয়া আমি কৈছিলোঁ তেওঁলোক কিয় পলাই আছে। পাছত আৰক্ষী আৰু পৰিয়ালৰ লগত আলোচনামৰ্মেই অভিযুক্ত দুজন পৃথকে পৃথকে পলাই থকা মৰিগাঁও আৰু ডিমাপুৰৰ কাৰাগাৰৰ সমীপৰ ঘৰৰ পৰা তেওঁলোকক কৰায়ত্ত কৰি আৰক্ষীক গতাই দিওঁ। তেওঁলোকে আৰু কয়- আমি দোষীয়ে কঠোৰ শাস্তি পোৱাটো বিচাৰোঁ। আৰক্ষীয়ে নিৰপেক্ষ তদন্ত কৰক। যদি আটকাধীন লোককেইজন আৰক্ষীৰ তদন্তত দোষী সাব্যস্ত হয় তেন্তে তেওঁলোকে আইন অনুযায়ী কঠোৰতম শাস্তি পাওক। কিন্তু আমি তেওঁলোকৰ আৰক্ষীৰ হাতত মৃত্যু হোৱাটো বিচৰা নাই।

# অৰুণাচলত পুতি

নিশা মাদুৰিপথাৰ আলিকাশ গাঁৰ বাসগৃহত মৃতদেহ উপস্থিত হোৱাৰ পাছত এক শোকাকুল পৰিবেশে বিৰাজ কৰে ।নিশাই স্থানীয় শ্মশানত শেষকৃত্য সম্পন্ন কৰা হয় । ইফালে চুবুৰীয়া ৰাজ্যখনত বাৰে বাৰে অসমৰ পৰা যোৱা ট্ৰাক চালক এনেধৰণৰ অপহৰণেৰে হত্যা কৰা ঘটনাক গৰিহণা জনায় স্থানীয় দল সংগঠনে। পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী সঞ্জয় নাথৰ পৰিয়াল অসম-অৰুণাচল চৰকাৰৰ তৰফৰ পৰা এককালীন আৰ্থিক সাহায্য প্ৰদান কৰিবলৈ আহ্বান জনায়। লগতে ঘটনাৰ মুল মাষ্টৰমাইণ্ড ডা'পৰিজু পাকুম কলনীৰ টাবু ডনিয়ে ইতিমধ্যেই আত্মসমৰ্পণ কৰিছে। দোষীক কঠোৰ শাস্তিৰ বিহাৰ লগতে আইনী সুৰুঙাৰ মাজেৰে যাতে দোষী বাচি নেযায় তাৰ বাবেও অৰুণাচল চৰকাৰক আহ্বান জনায় দল সংগঠনে । অন্যথা অৰুণাচল চৰকাৰৰ বিৰুদ্ধে সীমান্তত তীব্ৰ গণতান্ত্ৰিক অৰ্থনৈতিক আন্দোলন গঢ়ি তুলিব বুলি সকীয়াই দিয়ে।

# অসম চিকিৎসা

কৰা হ'ব বুলিও জিলা আয়ুক্তই সকীয়াই দিয়ে। সভাত অতিৰিক্ত জিলা আয়ুক্ত সংঘমিত্ৰা বৰুৱা, উপ আৰক্ষী অধীক্ষক অৰুন্ধতী দেৱী, অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ডাঃ সঞ্জীৱ কাকতি, অধীক্ষক ডাঃ প্ৰশান্ত দিহিঙীয়া, উপ-অধীক্ষকসকল ক্ৰমান্বয়ে ডাঃ সৌমেন ভাগৱতী, ডাঃ হিতেন্দ্ৰ নাথ সোনোৱাল, ডাঃ দীপক দাস, ডিব্ৰুগড় জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ ৰাজীৱ কুমাৰ বৰুৱা প্ৰমুখ্যে পৰিবহন বিভাগৰ বিষয়াবৰ্গ উপস্থিত থাকে।

## ENGLISH NEWS SECTION

# Governor Shri Lakshman Prasad Acharya visits residence and felicitates a veteran teacher on Teacher's Day



Guwahati, RB News: Celebration of Teacher's Day received a novelty as Assam Governor Shri Lakshman Prasad Acharya paid a visit to the residence of a veteran primary school teacher Nabin Chandra Das, 94 years old at Fuluguri village in Palashbari and felicitated him with a memento, citation, angabastra, shawl, flower garland, xorai, japi, gamocha, fruit basket, an umbrella and dakshina of Rs. 21, 000. Moreover, the Governor even offered the veteran teacher, the chair meant for him while he sat on a different chair, as a mark of his respect to the teacher. The Governor talked to the teacher and besides looking back at his long and crucial role as a teacher, enquired about his health and contribution. The Governor thanked and expressed his gratitude to the teacher, as he was responsible for churning the human resources and helped transforming his students into respectable citizens of the country. The Governor said, "I express my gratitude and respect to Shri Nabin Chandra Das for his invaluable contribution, dedication, and service in the field of education. He deserves all accolades and respect from the society. His dedication and commitment to the cause of education and teaching are indeed a source of inspiration to the posterity. Coming to his residence, paying a visit to him and talking to him has become a fulfilling moment on the special occasion of Teacher's Day". MP Guwahati Bijuli Kalita Medi, District Commissioner Kirti Jalli also accompanied the Governor to the teacher's residence.

## Assam Governor pays his obeisance to Srimanta Sankardev



Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya paid his deep respect to Vaishnavite saint, Srimanta Sankardev, on the occasion of Tiruvab Tithi of the Gurujona at Raj Bhavan . Recalling the unparalleled contributions of Srimanta Sankardev, the Governor expressed, "I bow with deep reverence at the sacred feet of Srimanta Sankardev. Gurujona not only laid the robust foundation of Assamese literature and culture through the divine essence of Ek Sarana Naam Dharma but also dismantled the barriers of caste, creed, and social distinctions. In a period of crisis for the humanity, Srimanta Sankardev established an empowered society that continues to inspire us even today."He moreover urged the people to embrace the teachings of the Gurujona and said that the philosophy and teachings of Srimanta Sankardev are the answers to all shortcomings and problems. "Let us all unite under the philosophy of Srimanta Sankardev and weave our dreams for Assam with the thread of unity, taking our state to the pinnacle of its glory, "the Governor added. Officers and staff of Raj Bhavan also paid their obeisance to the Gurojona.

## Rahul Dravid appointed new head coach of Rajasthan Royals




RB News: T20 World Cup-winning head coach Rahul Dravid has been named new head coach of Rajasthan Royals (RR). RR took to X to share a picture of Royals Sports Group CEO Jake Lush McCrum presenting a jersey to Dravid. Notably, Dravid captained RR in IPL 2012 and 2013, and served as RR team director and mentor in 2014 and 2015 seasons.

## Kapil Parmar wins India's first judo medal at Paralympics



RB News: Judoka Kapil Parmar bagged India's first-ever Paralympic medal in judo, winning a bronze in the men's 60kg (J1) event. He defeated Brazil's Elielton de Oliveira in the play-off on Thursday. Kapil had earlier lost to S Banitaba Khoram Abadi of Iran in the semi-finals, beaten 0-10 by his Iranian opponent.

## Praveen Kumar bags gold in high jump



RB News: Indian high jumper Praveen Kumar bagged gold medal in the men's high jump - T64 event at Paris Paralympics on Friday. Praveen Kumar achieved his best jump of 2.08 meters, breaking the Asian record in the process. Derek Loccident of the USA secured the silver medal with a 2.06-meter jump, while Temurbek Giyazov of Uzbekistan earned the bronze with a 2.03-meter jump. It is India's sixth gold at the ongoing Paris Paralympic Games.

# আধুনিক যুগৰ অভিশাপ জলবায়ু পৰিবৰ্তন

চক্ৰৰ ২০০২ ৰ পাছত ২০১৩ আৰম্ভ হৈ ২০২৪ চনত ইয়াৰ পূৰ্ণ বিকাশ ঘটিছে। সেয়ে ২০২৪ চনত গৰমে আগৰ অভিলেখ ভংগ কৰাৰ দিশে গতি কৰিছে।

উন্নয়নৰ নামত চৰকাৰে চলোৱা নিৰ্মাণকাৰ্যৰ ফলত জধে মধে গছ গছনি ধ্বংস কৰা হৈছে। পথ বহলোৱাৰ নামত, ফ্লাই অ'ভাৰ নিৰ্মাণৰ নামত নিৰ্দয়ভাৱে কাটি পেলোৱা হৈছে হাজাৰ হাজাৰ গছ। ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণৰ তথ্য অনুসৰি অসমে হেৰুৱাইছে সৰ্বাধিক পৰিমাণৰ বনভূমি। দেশত বনাঞ্চল ধ্বংস হোৱা সন্দৰ্ভত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণে লোৱা গোচৰৰ তথ্যত এই কথা জানিবলৈ দিয়ে।

মুঠৰ ওপৰত আমি আমাৰ পৰিৱেশ সম্পৰ্কে সচেতন নহ'লে মানুহ আৰু অন্য প্ৰাণী এই পৃথিৱীত জীয়াই থকা টান হৈ পৰিব। সেয়ে আমি আমাৰ ধৰিত্ৰীক সুস্থ সবল কৰি ৰাখিবলৈ হ'লে জীৱাশ্ম ইন্ধনৰ বিকল্প হিচাপে নৱীকৰণযোগ্য ইন্ধন আৰু নৱীকৰণযোগ্য শক্তি যেনে বায়ু শক্তি, জলশক্তি, সৌৰশক্তি আদিৰ ব্যৱহাৰৰ দিশে আগবাঢ়িব লাগিব। জলবায়ু পৰিবৰ্তনৰ ওপৰত লক্ষ্য ৰাখিয়েই নতুন দিল্লীত ২০২৩ চনৰ ৯-১০ ছেপ্টেম্বৰত অনুষ্ঠিত হোৱা ১৮ সংখ্যক দলীয় সন্মিলনৰ অৰ্থাৎ G 20 ৰ লক্ষ্য হৈছে গোলকীয় পৰ্যায়ত নৱীকৰণযোগ্য শক্তি সামৰ্থ্য ২০৩০ চনৰ ভিতৰত বৰ্তমানৰ সামৰ্থ্যতকৈ তিনিগুণ বৃদ্ধি কৰা। ২০২১ চনত নৱীকৰণযোগ্য শক্তিৰ উৎসবোৰৰ পৰা বিদ্যুৎ উৎপাদন ক্ষমতা গোলকীয় পৰ্যায়ত আছিল ৩০২৬ গিগাৱাট। ২০৩০ চনৰ ভিতৰত এই শক্তি সামৰ্থ্য তিনিগুণ বৃদ্ধি কৰিব পৰাটো কিমান দূৰ সম্ভৱ সেই কথা সময়েহে ক'ব। ২০২৩ চনৰ ৩০ নৱেম্বৰৰ পৰা ১০ ডিচেম্বৰ লৈকে ডুবাইত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰসংঘৰ জলবায়ু পৰিবৰ্তনৰ ২৮ সংখ্যক দলীয় সন্মিলনত জীৱাশ্ম ইন্ধনৰ বিকল্প হিচাপে নৱীকৰণযোগ্য ইন্ধন ব্যৱহাৰৰ ক্ষেত্ৰত দুশখন ৰাষ্ট্ৰই একমত প্ৰকাশ কৰাটো শুভ লক্ষণ। যি কি নহওঁক জলবায়ু পৰিবৰ্তনৰ অশুভ পৰিণতিৰ পৰা ৰেহাই পাবলৈ হ'লে সৌৰশক্তি, জলশক্তি, বতাহ শক্তি, সমুদ্ৰৰ ঢৌৰ শক্তি আদি কামত খটুৱাৰ লগতে গছ গছনিক ভাল পাব লাগিব মৰম কৰিব লাগিব। গছ গছনি ৰোপন কৰি ধৰণীখন সেউজ কৰি ৰাখিবলৈ সংকল্পবদ্ধ হ'ব লাগিব।






ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286